REFERENCE,
( NOT FOR I...
READING ONLY INS...

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL—I

NO—2

The 23rd February, 1976

Price : Rs. 12·50

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# CONTENTS

## Budget Session

## Volume—I. No. 2

Dated the 23rd February, 1976


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Matter Under Rule 301 | 31 |
| 3. | Laying of Report | 33 |
| 4. | The Assam Cooperative Land Mortgage Bank ( Amendment ) Bill, 1976 | 33 |
| 5. | Government Resolution | 50 |
| 6. | Adjournment | 65 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, February 23 1976

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

To which oral answers were given

বি ঃ নিত্য ব্যৱহাৰ্য্য খাদ্য দ্ৰব্য

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*১২১। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কোন কোন কেইটা বস্তুক নিত্য ব্যৱহাৰ্য্য খাদ্য দ্ৰব্য বুলি চৰকাৰে তালিকা ভুক্ত কৰিছে ?

(খ) এই খাদ্য দ্ৰব্য সমূহৰ বৰ্ত্তমান মূল্যসূচী কেনেকুৱা ?

(গ) যোৱা বছৰৰ এই সময়ত এই বস্তুবোৰৰ মুল্য কেনেকুৱা আছিল ?

(ঘ) এই তালিকা ভুক্ত কি কি বস্তুৰ মূল্য বেছিকৈ বাঢ়িছে আৰু কিয় ?

শ্ৰীগজেন তাঁতী (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৫৫ চনৰ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আইন অনুযায়ী তলত উল্লেখ কৰা খাদ্য দ্ৰব্য সমূহ অত্যাৱশ্যকীয় খাদ্য দ্ৰব্য বুলি ধাৰ্য্য কৰা হৈছে।

(১) চাউল, (২) ঘেহুজাতীয় সামগ্ৰী (৩) চেনী (৪) লোণ (৫) মিঠাতেল (৬) দাইল (৭) আন খাদ্য উপযোগী তেল (৮) বনস্পতি। কিন্তু নিত্য ব্যৱহাৰ্য্য খাদ্য দ্ৰব্য বুলি কোনো বস্তু কতো বেলেগে তালিকা ভুক্ত কৰা নাই।

খ) ওপৰোক্ত খাদ্য দ্ৰব্য কেইবিধৰ বৰ্ত্তমান মূল্যসূচী তলত দিয়া ধৰণে

দেখুৱা হ'ল ।

(১) মুকলি বজাৰৰ মোটা চাউলৰ প্ৰতি কেজিত ১·৪০ পইচাৰ পৰা ২·০০ টকাৰ ভিতৰত । কোনো কোনো ঠাইত প্ৰতি কেজিত ১·৩০ পইচালৈও নামিছে ।

(২) মুকলি বজাৰৰ চেনী প্ৰতি কেজিত ৪·৫০ পৰা ৪·৯০ পইচাৰ ভিতৰত ।

(৩) দাইল

(ক) ৰহৰ প্ৰতি কেজিত ২·৪০ পৰা ২·৬৫ পইচাৰ ভিতৰত ।

(খ) মচুৰ প্ৰতি কেজিত ২·৪০ পৰা ২·৬০ পইচাৰ ভিতৰত ।

(গ) মগু প্ৰতি কেজিত ২·২০ পৰা ৩·০০ টকাৰ ভিতৰত ।

(ঘ) বুট প্ৰতি কেজিত ২·৪০ পৰা ২·৭০ পইচাৰ ভিতৰত ।

(৪) মিঠাতেল প্ৰতি লিটাৰত ৫·৫০ পৰা ৬·৪০ পইচাৰ ভিতৰত ।

(৫) লোণ প্ৰতি কেজিত ০·৩০ পইচাৰ পৰা ০·৪০ পইচাৰ ভিতৰত ।

(৬) বনস্পতি প্ৰতি কেজিত ৮·০০ পৰা ১০·৪০ পইচাৰ ভিতৰত ।

(গ) যোৱা বছৰত এই সময়ত এইবিলাক খাদ্য দ্ৰব্যৰ মুকলি বজাৰৰ খুচুৰা মূল্য তলত দিয়া ধৰণে আছিল—

(১) চাউল—৩·০০ পৰা ৩·৫০ পইচাৰ ভিতৰত ।

(২) চেনী— ৪·৮০ পৰা ৫·০০ ভিতৰত ।

(৩) দাইল —

(ক) ৰহৰ—৩·৭৫ পৰা ৩·৯০ পইচাৰ ভিতৰত ।

(খ) মচুৰ—২·৮৫ পৰা ২·৯০ ৰ ভিতৰত ।

(গ) মগু—৩·০০ পৰা ৩·১০ পইচাৰ ভিতৰত ।

(ঘ) বুট—২·৯০ পইচা ।

(৪) মিঠাতেল— ৮·৫০ পৰা ৯·০০ টকা

(৫) লোণ—০·৩৫ পইচাৰ পৰা ০·৪০ পইচা ।

(৬) বনস্পতি—১০·৫০ পৰা ১১·৫০ পইচা ।

(ঘ) ওপৰোক্ত মূল্যসূচীয়ে দেখুৱাই যে যোৱা বছৰতকৈ এই বছৰত কোনো খাদ্য দ্ৰব্যৰ মূল্য বৃদ্ধি হোৱা নাই ।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, যি

কেইটা নিত্য ব্যৱহাৰ্য্য খাদ্য দ্ৰব্যৰ তালিকা সদনত দাঙি ধৰিছে তাৰ ভিতৰত পীয়াজো অন্তৰ্ভুক্ত কৰা হৈছিল নেকি আৰু এই পীয়াজৰ দাম ১৯৭৫ চনৰ শেষৰ ফালে বৃদ্ধি পোৱা কথাটো সঁচা নেকি ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : ইয়াৰ ভিতৰত পীয়াজ অন্তৰ্ভুক্ত কৰা হোৱা নাই, ১৯৭৫ চনৰ শেষৰ ফালে পীয়াজৰ দাম বৃদ্ধি পোৱা কথাটো সঁচা।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া : এই বস্তুবিলাক উৎপাদন কৰোতে সৰবৰাহ কৰাৰ ক্ষেত্ৰত ব্যক্তিগত ব্যৱসায়ীক বস্তু বিলাক আনিবলৈ দিয়া হয় নেকি নে অসমৰ এই যে এপেক্স ফেদাৰেশ্যন ইত্যাদি গঠন হৈছে তাৰ জৰীয়তে অনা নিয়া কৰা হয় ?

শ্ৰীগজেন তাঁতী : (মন্ত্ৰী) বৰ্ত্তমান ব্যক্তিগত ব্যবসায়ীৰ দ্বাৰা অনা নিয়া কৰা হয় কিন্তু অহা এপ্ৰিল মাহৰ পৰা এনেবিলাক বস্তু অনা নিয়াৰ ক্ষেত্ৰত এপেক্স ফেদাৰেশ্যন ইত্যাদিক দিয়া হব।

শ্ৰীগিয়াচুদ্দীন আহমদ : শিশু খাদ্য যিবিলাকৰ নাম শুনিছোঁ সেইবিলাক নিত্য ব্যৱহাৰ্য্য বস্তুৰ ভিতৰত পৰিছে নে নাই যদি পৰে শিশু খাদ্য দ্ৰব্যকো নিত্য ব্যৱহাৰ্য্যৰ বস্তুৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে নে নাই ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : ফুদ ষ্টাফৰ যিটো দেফিনিশ্যন সেইটো দি, আই ৰুল মতে ড্ৰিষ্টিক অঠোৰিটিয়ে কৰে।

শ্ৰীপ্ৰেম বৰা : ১৯৬৫ চনতে এই বস্তু তালিকা খন প্ৰস্তুত কৰা হৈছিল কিন্তু বৰ্ত্তমান দেশৰ চাহিদা অনুপাতে আৰু বহুতো বস্তুৰ প্ৰয়োজনীয়তা হৈছে। গতিকে সেইটোৰ প্ৰতি লক্ষ্য ৰাখি তালিকাখন নতুন কৈ প্ৰস্তুত কৰাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : মই ১৯৫৫ চনৰ আইনৰ কথাহে কৈছোঁ, সময়ে সময়ে তালিকাখন অদল বদল হৈ থাকে।

শ্ৰীসোনেশ্বৰ বৰা : মোটা চাউলৰ বাহিৰে অন্য যিবিলাক চাউল আছে সেইবিলাক নিত্য ব্যৱহাৰ্য্য বস্তুৰ তালিকাৰ ভিতৰত নপৰে নে ? যদি পৰে তেতিয়াহলে তাৰ তালিকা খন দিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : পৰে, কিন্তু বৰ্ত্তমান সেই তালিকা খন মোৰ

হাতত নাই।

RE . SIBSAGAR COURT BUILDING

Shri Promode Chandra Gogoi asked :

*122. Will the Minister, P. W. D. be pleased to state—

(a) Whether any time was fixed for completion of the Sibsagar Court Building ?

(b) If so, why the work could not be completed within the stipulated time ?

(c) Who is responsible for non-completion of the Building ?

Shir Md. Idris (Minister, P.W.D.) replied :

(a)—Yes, eighteen mnoths from 17th September, 1971.

(b)—The reasons were :—

(i) There occurred an initial delay of 5 months in making the site available for work.

(ii) Scarcity fo Cement and Steel.

(c)—The non-completion is due to circumstances beyond control.

RE : SIBSAGAR COURT BUILDING

Shri Pushpadhar Chaliha asked :

*123. Will the Minister, P.W.D. be pleased to state—

(a) Whether Government isaware of the fact that the construction of the Sibsagar Court Building started

about five years back have remained abandoned since last three years ?

(b) If so, the reasons thereof ?

(c) Whether Government will take immediate step to complete the same in the current year ?

Shri Md. Idris (Minister, P.W.D.) replied :

(a)—The work was physically started in April, 1972 and has remained suspended sinee June, 1973.

(b) The contractor suspended the work for inadequate supply of cement and M.S. Rods and has since not resumed the work praying for enhancement of his tendered rates for the remaining works and settlement of his claims.

(c) Government have taken steps to complete the work as early as possible.

Shri Promode Chandra Gogoi — May I know from the Minister whether the drawing was submitted to contractor in due time by the Department ?

Shri Md. Idris (Minister) —Sir, the information that are available with me indicates nothing like that.

Shri Promode Ch. Gogoi : Whether the drawing was submitted by the Department to the Contractor ?

Shri Md. Idris (Minister) : My information is yes.

Shri Promode Ch. Gogoi : When it was submitted ?

Shri Md. Idris (Minister) : It was submitted in the month of February, 1972.

Shri Promode Gogoi : If the drawing was submitted in 1972 then why the work could not be completed by the contractor in time ?

Shri Md. Idris (Minister) : I have given the reasons that the work though started in 1972 could not be compp- lleted due to certain difficulties. These are, delay in handing over the site, the soil condition, scarcity of cement which were continued to prevail till 1975.

Shri Promode Ch. Gogoi : The work was started in 1971 which was to be completed by 1973. May I know the specific reasons of delay and who is responsible for this ? Whether the contractor is responsible or the Department is responsible for this ?

Shri Md. Idris (Minister) Sir, I have already said that it was a circumstances beyond our control.

Shri Promode Ch. Gogoi : Sir, I want to know what are the specific reasons of this delay ?

Shri Md. Idris (Minister) : None of them. The mate- rials and ingradients were in short supply and hence the delay.

Shri Puspadhar Chaliha : Sir, my information is that the drawing was not submitted to the contractor as yet. Is it a fact ?

Shri Md. Idris (Minister) : How can it be, the work has been started and done to a certain extent.

Shri Puspadhar Chaliha : Whether the contract was cancelled from the original contractor ?

Shri Md. Idris (Minister) : No Sir, the former contractor has been asked to go on with the work.

Shri Puspadhar Chaliha : Is it a fact that the contractor was subjected to unnecessary harrassment ? My information is that when negotiations were going on with the contractor, on the 15th of this month his labour sheds and the material were removed from the site.

Shri Md. Idris (Minister, P.W.D.) : Regarding the materials being taken back, that is so because the materials were there for a long time, and therefore the Department took them over. Regarding the second point about demolition of the sheds, an enquiry is being made and possibly the enquiring officer is in the site already.

Shri Puspadhar Chaliha : Will the Minister be pleased to inform whether action will be taken against the person at whose instance the sheds etc. were removed ?

Shri Md. Idris (Minister, P.W.D,) : I will ascertain the actual position from the Addl. C.E. who is now in the site enquiring into the matter and if anybody is found at fault, suitable action will be taken.

শ্ৰীআটাউৰ ৰহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭২ চনতে আৰম্ভ কৰা কাম যেতিয়া এতিয়াও শেষ কৰিব পৰা নাই এনে অৱস্থাত কামটো শেষ কৰিবৰ কাৰণেও এতিয়াও সীমা বান্ধি দিয়াৰ ব্যৱস্থা কৰিব পাৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( মন্ত্ৰী ) ঃ বান্ধি দিয়া হৈছে। দুবছৰৰ ভিতৰত শেষ হব লাগে

Shri Giasuddin Ahmed : It has been repeatedly stated by the Hon. Minister that scarcity of cement was one of the reasones of the delay. May I know what was the

total quantity of cemen in stock at the disposal of the P.W.D. at the relevant period ?

Shri Md. Idris (Minister, P.W.D.) : I have already sta-
ted, that the position of supply of cement improved from early 1975, and now the Department has sufficient stock.

Shri Giasuddin Ahmed : My question was specific
what was the to quantity of cement in stock at the disposal of the P.W.D. at the relevant period ?

Shri Md. Idris (Minister, P.W.D.) : At the relevant per-
iod as again the total requirement of 40,000 tonnes the dep-
artment had hardly 10,000 tonnes, i.e. ¼ th of the total req-
uirement. During this period this temporary capital was under constructed. So the bulk of the cement was diver-
ted to capital construction won;

Shri Giasuddin Ahmed : What was the quantity actu-
ally supplied to the contractor at time ?

Shri Md. Idris (Minister, P.W.D.) : The bulk of the available supply was diverted to capital construction work.

শ্ৰীমতী তৰুলতা বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭২ চনতে এই ঘৰটো কৰিবলৈ দিয়া স্বত্বেও চিমেণ্টৰ নাতনিৰ কাৰণে ঘৰটো শেষ কৰিব নোৱাৰাৰ কাৰণে ঠিকাদাৰ জনক বৰ্খাস্ত কৰা হয়। এই ঘৰটোৰ কাৰণে চিমে চাপ্লাই দিয়াটো কাৰ তলত আছিল যি চিমেণ্ট দিব নোৱাৰাৰ কাৰণেই এই ঘৰটো হৈ নুঠিল আৰু চিমেণ্ট চাপ্লাই দিব নোৱাৰাৰ কাৰণে জগৰীয়া জনৰ বিৰোদ্ধে ব্যৱস্থা লোৱা হবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ গড়কাপ্তানী বিভাগে দিব লাগে। তাৰ কাৰণে কাৰো বিৰোদ্ধে ব্যৱস্থা লোৱাৰ প্ৰশ্ন নাই।

Shri Premadhar Bora : It is horrible Sir, that the Mini-

ster has stated neither the contractor nor the P.W.D. is responsible for the delay. Sir, I want to know specifically from the Minister then due to whose fault, the completion of the work was so much delayed ?

Shri Md. Idris (Minister, P.W.D.) : I have already replied to that question, Sir.

Shri Premadhar Bora : The Hon'ble Minister has stated that neither the contractor nor the department is responsible. My question is then who is responsible for the delay ?

Shri Md. Idris (Minister, P.W.D.) : That is a national problem.

Shri Promode Chandra Gogoi : Sir, the matter has been pending since 1969 and at different times diffe ent Minister-in-charge gave different replies. Therefore may I suggest to the Hon'ble Minister that Government be pleased to appoint a committee to go into the question of this inordinate delay in the matter of completion of the work as according to the time-schedule it was to be completed by 1973, an fix the responsiblity fo: the delay ?

Shri Md. Idris (Minister, P.W.D.) : The work was never started in 1969.

Shri Promode Chandra Gogoi : Why was it not started by that time ?

Shri Md. Idris (Minister, P.W.D.) : The tender accepted on 17. 9.71, it was never in 1969. Then this question of scarcity of cement, it is a national problem, for which to fix the responsibility is out of question.

শ্ৰীনগেন বৰুৱা : মাননীয় সদস্য গগৈ ডাঙৰীয়াই সোধা প্ৰশ্নটোৰ

সন্দৰ্ভত এটা খেলি-মেলি থকা বুলি অনুমান কৰিবলৈ আমি বাধ্য হৈছো। গতিকে এই গোটেই ঘটনাটো অনুসন্ধান কৰিবলৈ এটা তদন্ত কমিটি গঠন কৰাৰ কথাটো চৰকাৰে বিবেচনা কৰিবনে ?

Shri Md. Idris (Minister, P.W.D.) : I do not think there should be any enquiry Committee for this purpose.

শ্ৰীনগেন বৰুৱা : এই গোটেই কথাখিনিৰ দ্বাৰা আমাৰ এটা বিশ্বাস হৈছে যে ইয়াত কিছুমান খেলি–মেলি সোমাই আছে যাৰ ফলত ইমান বিলাক টকা অপচয় হৈছে । গতিকে এই গোটেই ঘটোনাটোৰ অন্তৰালত থকা গোটেই কথা খিনি বাহিৰ কৰি দোষীক শাস্তি বিহিবৰ কাৰণে এটা তদন্ত কমিটি আমি দাবী কৰো। সেইটো চৰকাৰে বিবেচনা কৰিবনে ?

Shri Premadhar Bora : What was the cost of the original estimate and what is the cost of the revised estimate ?

Shri Md. Idris (Minister, P.W.D.) : Original was about Rs. 20 lakhs and now it is estimated to cost Rs. 23 lakhs and some thousands.

শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, চাৰ প্ৰশ্নটোৰ উত্তৰ দিয়া নাই

Shri Md. Idris (Minister, P.W.D.) : Government cannot consider this question.

### বিষয় : মেলেৰীয়া বেমাৰ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*১২৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ৪ (চাৰিটা) বছৰত গোলাঘাট মহকুমাৰ কোন কোন ঠাইত মেলেৰীয়া বেমাৰে দেখা দিছে জনাবনে ?

(খ) যোৱা এই বছৰ কেইটাত মেলেৰীয়া ৰোগাক্ৰান্ত হোৱা গোলাঘাটৰ এই ঠাই কেইচোখৰৰ ভিতৰত কিমান জন ৰোগী মৃত্যু মুখত পৰিছে আৰু কিমানজনে চিকিৎসা লৈ প্ৰাণ ৰক্ষা কৰিছে আৰু কিমানজনে চিকিৎসা পোৱাৰ

পৰা বঞ্চিত হৈছে জনাবনে ?

(গ) এইদৰে মেলেৰীয়া ৰোগাক্রান্ত গোলাঘাটৰ ঠাইবিলাকৰ ভিতৰত কেৰল দৈয়াং বনাঞ্চলতে কিমান লোক বছৰানুসাৰে ৰোগাক্রান্ত হৈছে আৰু এইঠাইৰ এই ৰোগাক্রান্তলোক সকলে কোন কোন চিকিৎসালয়ত চিকিৎসা কৰিবলৈ সুবিধা পাইছে ?

(ঘ) যোৱা বছৰ কেইটাত দৈয়াং বনাঞ্চলত একেলগে একো একোটা পৰিয়ালত কিমানজনকৈ লোক এনে ৰোগত ৰোগাক্রান্ত হোৱা পোৱা গৈছিল ?

(ঙ) প্রায় পঞ্চাশ হাজাৰ লোকৰ জনবসতি থকা দৈয়াং বনাঞ্চলত আজি-কোপতি চিকিৎসালয় প্রতিস্থা হৈছেনে ?

ডাঃ সুৰেন্দ্র নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক)—যোৱা ৪ (চাৰিটা) বছৰত গোলাঘাট মহকুমাৰ নিম্নলিখিত ঠাই বোৰত মেলেৰীয়া বেমাৰে দেখা দিছিল ঃ

১। পুৰণিমাটি ভকট, ২। দৰঙ্গীয়া, ৩। কমাৰ গাওঁ, ৪। খঙ্গীয়া, ৫। দেড় গাওঁ, ৬। বাতুলী পাৰ, ৭। খুমতাই, ৮। বনগাওঁ, ৯। তুহুটিমুখ ১০। ঢেকীয়াল, ১১। মলীয়াগাওঁ, ১২। মেলামৰা, ১৩। নাহৰণি, ১৪। কমাৰবন্ধা ১৫। কছাৰি-হাট, ১৬। গোলাঘাট, ১৭। চিনাতলি, ১৮। বছা ১৯। শালিকিহাট, ২০। নগাওঁ, ২১। জামুগুৰি, ২২। চিচুপানী, ২৩। দগাওঁ, ২৪। ফেছু-ৱাল, ২৫। বালিজান, ২৬। মেৰলপানী, ২৭। ফলঙনী, ২৮। থুৰামুখ, ২৯। হেনচুৰ, ৩০। ৰঙাজান, ৩১। দৈগুৰঙ, ৩২। উদয়ঙ, ৩৩। বকিয়াল, ৩৪। লেতে-কুজান, ৩৫। সৰুপথাৰ, ৩৬। কাচমাৰী, ৩৭। নাউজান, ৩৮। অপাৰ-লেঙথা, ৩৯। ৰতনপুৰ, ৪০। বৰপথাৰ, ৪১। বৰ পথাৰ (বুকাখটি), ৪২। ৰংকোৱাল, ৪৩। কমাৰগাওঁ, ৪৪। নুমলি গড়, ৪৫। ৰজাবাৰী ৪৬। বুকাখটি, ৪৭। কৰায়তী ৪৮। নাহৰজান, ৪৯। চেপাজৰী, ৫০। কহৰা আৰু ৫১! এনাইমৰীয়া।

খ) যোৱা ৪ ( চাাৰিটা ) বছৰত মাত্র ৫ জন লোক মেলেৰীয়া বেমাৰত মৃত্যু মুখত পৰে। যোৱা ৪ চাৰিটা বছৰত ১৯৭২ চনত ৩১৫ জন, ১৯৭৩ চনত ৮৯৬ জন, ১৯৭৪ চনত ৩৫৬ জন, ১৯৭৫ চনত ৩৮৪২ জন লোকক মেলেৰীয়া বেমাৰৰ বাবে মেডিকেল ট্রিতমেন্ত আৰু ১৯৭২ চনত ২৩৩৪৯ জন ১৯৭৩ চনত ২৩০৪৩ জন, ১৯৭৪ চনত ২১৮৬৪ জন আৰু ১৯৭৫ চনত

৪৬৫৪৯ জন লোকক সন্দেহযুক্ত কৰি প্ৰিজামটিভ ট্ৰিতমেন্ত দিয়া হৈছিল।

কোনো মেলেৰীয়া ৰোগী মেলেৰীয়া চিকিৎসা পোৱাৰ পৰা বঞ্চিত হোৱা নাছিল।

(গ)—দৈয়াঙ অঞ্চলত যোৱা ৪ (চাৰিটা) বছৰত মেলেৰীয়াত ৰোগাক্ৰান্ত হোৱা লোক সকলৰ হিচাব বছৰানুসাৰে এনেকুৱা ১৯৭২ চনত ৮১ জন ১৯৭৩ চনত ৩১৩ জন, ১৯৭৪ চনত ৩৭ জন,. ১৯৭৫ চনত ৬৩৫ জন। এই ৰোগীসকলৰ ঘৰত গৈ গৃহকৰ্মী আৰু গৃহ পৰিদৰ্শক সকলে মেডিকেল ট্ৰিতমেন্ত আৰু প্ৰিজামটিভ ট্ৰিতমেন্ত দিছিল।

ইয়াৰ উপৰিও মেলেৰীয়াত ৰোগাক্ৰান্ত হোৱা লোকসকলে কাচমাৰী বৰ–পথাৰ, সৰুপথাৰ, নোগোৰা, বৰুৱা গাওঁ আৰু নাওজান আদি চিকিৎসালয়ত চিকিৎসা লবলৈ সুবিধা পাইছে।

(ঘ)—যোৱা ৪ (চাৰিটা) বছৰত দৈয়াং বনাঞ্চলত মেলেৰীয়াত ৰোগাক্ৰান্ত হোৱা পৰিয়ালবৰ্গৰ ভিতৰত কিছুমান পৰিয়ালত একেলগে একেসময়তে গড়ে ২ৰ পৰা ৩ জনলৈকে লোক মেলেৰীয়া ৰোগত আক্ৰান্ত হোৱা পোৱা গৈছিল।

(ঙ)—দৈয়াং বনাঞ্চলত কোনো চিকিৎসালয় প্ৰতিস্থা হোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা : মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে কাৰণেই দিছে। মন্ত্ৰী মহোদয়ে যি বিলাক গাৱঁৰ কথা কলে কয়া বুতলিলেও তাৰ সংখ্যা বহুত বেচি হব। কাচমাৰী, সৰুপথাৰ, বৰপথাৰ যি কেইখন ডিচপেনচাৰীত দৈয়াং গা বনাঞ্চলৰ মানুহে চিকিৎসা কৰাৰ কথা কলে এই ডিচপেনচাৰীৰ পৰা মানুহ বিলাক থকা ঠাই কিমান দুৰত এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ নিজা কিবা ধাৰণা আছেনে ?

ডা : সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) : মোৰ নিজা ধাৰণা নাই নিশ্চয় ওচৰৰ গাৱঁৰ মানুহে চিকিৎসা কৰিছিল।

শ্ৰীসোনেশ্বৰ বৰা : দৈয়ঙৰ মানুহ নাওজান, সৰুপথাৰ আদিত চিকিৎসা কৰিবলৈ আহিছিলনে নাই ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) : সেইটো খবৰ মোৰ হাতত নাই।

শ্ৰীসোনেশ্বৰ বৰা : গোলাঘাট চিভিল হস্পিটালত দৈয়াঙৰ কিমান মানুহ মেলেৰিয়াত মৃত্যু মুখত পৰিল ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): সেইটো হিচাব মোৰ হাতত নাই।

শ্ৰীসোনেশ্বৰ বৰা: যিমান বিলাক অঞ্চলৰ কথা মন্ত্ৰী মহোদয়ে কলে সেই সময় ছোৱাত গোলাঘাট চিভিল হস্পিটালত কিমান মেলেৰীয়া ৰোগীয়ে চিকিৎসা কৰিছিল ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): সেইটো হিচাপ মোৰ হাতত নাই। মেলেৰীয়া চিকিৎসা ফিল্ডত গৈ কৰ্মচাৰী সকলে কৰে।

শ্ৰীসোনেশ্বৰ বৰা: গোলাঘাট চিভিল হস্পিটালত গৈ চিকিৎসা কৰা ৰোগীৰ সংখ্যাৰ হিচাব মন্ত্ৰী মহোদয়ে দিব নোৱাৰে ফিল্ডত গৈ চিকিৎসা কৰাৰ হিচাব কেনেকৈ দিব পাৰে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): মেলেৰীয়াৰ কাৰণে বেলেগ বিভাগ আছে। মেলেৰীয়াৰ হিচাব তাৰ পৰাই লোৱা হয়।

শ্ৰীসোনেশ্বৰ বৰা: যি ৫ জন মানুহ মৰাৰ কথা কলে সেইটো অকল গোলাঘাটৰ হিচাব দিছেনে হাবিয়ে বননিয়ে মৰা খিনিও ধৰি দিছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): গোটেই অঞ্চলৰ।

শ্ৰীসোনেশ্বৰ বৰা: মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে তাত মই সন্তোষ হোৱা নাই। সেই কাৰণে মোৰ অসন্তোষ্টিলৈ চাই এই কথাটো পুনৰ বিবেচনা কৰিবনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): পুনৰ বিবেচনা কৰা হব।

শ্ৰীসোনেশ্বৰ বৰা: দৈয়াং অঞ্চলৰ একো একো ঘৰ মানুহৰ ৭/৮ জনকৈ মানুহ গোলাঘাটত চিকিৎসাধীন হৈ আছিল। আৰু কোনোটো পৰিয়ালৰ ৪, ৫ জনলৈকে মানুহ মৃত্যুৰ মুখত পৰিছিল। এনে ক্ষেত্ৰত যেতিয়া মন্ত্ৰী মহোদয়ে মাত্ৰ ৫ জন মানুহ মৰিছে বুলি কোৱাত আমি আচৰিত হৈছো।

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): মেলেৰীয়া বিভাগৰ কৰ্মচাৰী সকল ফিল্ডত গৈ চিকিৎসা কৰে। গোলাঘাট চিভিল হস্পিটালত অন্যান্য ৰোগত মানুহ বহুতো মৰিব পাৰে। কিন্তু মেলেৰীয়াত মাত্ৰ ৫ জনহে মৰিছিল।

শ্ৰীআতাউৰ ৰহমান: অকল গোলাঘাটতেই নহয় গোটেই অসমতেই মেলেৰীয়াৰ প্ৰাদুৰ্ভাব হৈছে। ইয়াৰ নিৰ্মূলৰ কি ব্যৱস্থা লৈছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): ১৯৫৮ চনতেই নেচনেল মেলেৰীয়া ইৰাদিকেচন

প্ৰোগ্ৰেম লোৱা হৈছিল। আৰু তেতিয়াই প্ৰত্যেক এক নিযুত মানুহ থকা একোটা এলেকাত একোটা ইউনিট কৰা হৈছিল। কিন্তু পিছত সেইটো ৰি-অৰগেনাইজ কৰি একোখন জিলাত একোখনকৈ একোটা ইউনিট কৰা হৈছে। তাত স্বাস্থ্য বিষয়া আৰু অন্যান্য কৰ্মচাৰী দিয়া হৈছে। তাৰ উপৰিও প্ৰাইমাৰী হেল্ট চেণ্টাৰ বিলাকত মাইক্ৰচকপিষ্ঠ দি চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

আব্দুল মুক্তাদিৰ চৌধুৰী: গোলাঘাটত কিমান ডাক্তৰে এই সময়ত কাম কৰি আছিল?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): বেলেগে প্ৰশ্ন দিব লাগিব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী: চিভিল হস্পিটাল বিলাকত মেলেৰীয়া চিকিৎসা কৰা হয়নেকি?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): হয়।

শ্ৰীজগদীশ দাস: মন্ত্ৰী মহোদয়ে যিটো হিচাব দিছে তাৰ পৰা দেখা গৈছে যে প্ৰত্যেক জিলাতে মেলেৰীয়াৰ ইউনিট দিয়া হৈছে। তথাপিও কিয় প্ৰত্যেক বছৰে মেলেৰীয়া প্ৰাদুৰ্ভাব বাঢ়ি গৈছে?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): ১৯৫৮ চনৰে পৰাই ১৯৬৫ চনলৈকে মেলেৰীয়া নিৰ্মূল হৈছিল যদিও তাৰ পিচত পুনৰ আবিৰ্ভাব হয়। তাৰ পিচত বছৰি বছৰি বাঢ়ি যাবলৈ ধৰে।

শ্ৰীমতী তৰুলতা বৰা: মেলেৰীয়া কাৰণে যি বিলাক ঔষধ লাগে সেই বিলাক নথকাৰ কাৰণেই মেলেৰীয়া বেচিকৈ হৈছিল। এই কথা মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিবনে? গুন নোহোৱাৰ কাৰণেও আমি ছাগলীয়ে খোৱা দেখিছো। ছাগলীয়ে খায়ো মৰা নাই। গতিকে ঔষধ বিলাকত যে যি গুন থাকিব লাগে সেই গুন নাই এই কথা মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিবনে?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): আগতে ডি ডি টিৰ যিমান ক্ষমতা আছিল এতিয়া কমাই দিয়া হৈছে। কাৰন বেচিকৈ দিলে মানুহৰ স্বাস্থ্যৰ ক্ষতি হয় আৰু মহবিলাকো D.D.T. ৰেজিষ্ট্ৰেণ্ট হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ: মেলেৰীয়া অসমৰ পৰা নিৰ্মূল হোৱাৰ পিচতো কিয় আকৌ প্ৰাদুৰ্ৰভাব হল এইটো অনুসন্ধান কৰিবনে?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী): অসমত বহুত বিলাক নদ-নদী খাল

বিল থকাৰ কাৰণে সেই বিলাকত পানী জমা হৈ মহৰ উৎপন্ন হৈ মেলেৰীয়া হয়।

শ্ৰীনগেন বৰুৱা ঃ গোলাঘাট মহকুমাত মেলেৰীয়া নিৰ্মূলৰ কাৰণে যিটো চিকিৎসা ব্যৱস্থা আছিল তাত কিমান ডাক্তৰ আছিল কিমান ডিপ্লোমা থকা মানুহ আছিল ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ কুইনাইনৰ অভাৱত মেলেৰীয়া ৰোগী মৃত্যু মুখত পৰা কথাটো সচানে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ কুইনাইন নোহোৱা নহয়। বন্ধেৰ পৰাও প্লেনেৰে কুইনাইনৰ অনা হৈছিল।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ কুইনাইনৰ অভাৱত চিকিৎসা কৰিব নোৱাৰাৰ কথাটো সচানেকি ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস ( মন্ত্ৰী ) ঃ সচা নহয়।

শ্ৰীপ্ৰেম বৰা ঃ উল্লেখিত অঞ্চল বিলাক মেলেৰীয়া ইৰাদিকচন এলেকাৰ ভিতৰত আছিলনে নাই ? আৰু তাত যি বিলাক ঔষধ ব্যৱহাৰ কৰা হৈছিল সেই বিলাক মেলেৰীয়াৰ ঔষধ আছিলনে নাই ?

ডাঃ সুৰেন্দ নাথ দাস ( মন্ত্ৰী ) ঃ গোটেই ৰাজ্য খনেই মেলেৰীয়া ইৰাদিকচন প্ৰগেমৰ ভিতৰত আছে।

Starred Question No. 125 was not had Member beeing absent

RE : PERMITS FOR MILLING AND PROCOUREMENT OF PADDY

Shri Promode Chandra Gogoi asked :

*126. Will the Minister, Supply be pleased to state—

(a) Whether permits were issued to big Rice Millers and to individuals in Sibsagar for milling and procurement

of Paddy in 1974 ?

(b) If so, the total number of permits issued by individual officers of the Supply Department and the name and address of the big Rice Mills which milled such Paddy against such permits ?

Shri Gajen Tanti (Minister, Supply) replied :

(a)—No permit was issued to big Rice Millers and the individuals to procure paddy during 1974 in Sibsagar. Permits were issued only for milling of paddy ?

(b)—Total number of permits issued are 2693.

Name and address of the mills arc as follws :

(1) Bajrang Rice Mill, Sibsagar Tawn.
(2) Bhagawati Rice Mill Sibsagar.
(3) Khemka Rice Mill, Sibsagar Town.
(4) Gaurisagar Riee Mill, Gaurisagar.
(5) Maheswari Rice Mill, Amguri.
(6) Agarwalla Rice Mill, Gaurisagar.
(7) Shree Luxmi Rice Mill, Namti.
(8) C. Chunilal Rice Mill, Nazira.
(9) Satyanarayan Rice Mill, Gaurisagar.
(10) R. Bhagawan Prssad Rice Mill, Simaluguri.
(11) H. Kanwatia Rice Mill, Simaluguri.
(12) K. C. Oswal Rice Mill, Simaluguri.
(13) Mahaluxmi Rice Mill, Sapekhati.
(14) Mahabir Rice Mill, Nitaipukhuri.

Shri Promode Ch. Gogoi : Mr. Speakar Sir, May I know from the Hon'ble Minister whether these 4693 permils issued to the individuals were used by the millers to hold

the stock of paddy and rice at that time ?

Shri Gajen Tanti ( Minister ) : Sir, it should be 2693 as I know, but there is no such information with me.

Shri Promode Ch. Gogoi : Whether it is a fact that most of the permits issued by the department for milling to the individuals were used by certain big Millers to hoard stock in Sibsagar ?

Shri Gajen Tanti ( Minister ) : Sir, we have got no such information.

Shri Promode Ch. Gogoi : Mr. Speaker Sir, whether Minister will make enquiry to see that the permits issued to the particular individuals were really utilised ?

Shri Gajen Tanti ( Minister ) : I don't think Sir, any purpose will be served by the enquiry.

Shri Promode Ch. Gogoi : Sir, the purpose will be served because in 1974 there was strict control and during these 2 to 3 months about 2693 permits were issued to the individuals and most of the permits were used by certain mill to hoard stock ?

Shri Gajen Tanti ( Minister ) : An enquiry will be made.

Shri Giasuddin Ahmed : What is the total milling charge paid to the millers ?

Shri Gajen Tanti ( Minister ) : This is a separate question.

Shri Giasuddin Ahmed : Mr. Speaker Sir, Whether Government with think to take over all the big Mills, so that they can save huge wastage of public money ?

Shri Gajen Tanti ( Minister ) : There is no such proposal.

শ্ৰীজগদীশ দাস ঃ দুখীয়া মানুহ বিলাকক এই মিল বিলাকত ধান বানিবলৈ নিদিয়ে। গতিকে দুখীয়া ধান বনা মানুহ বিলাকক তাত নিয়োগ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ অকল তেনে কৰিলেই সমস্যাৰ সমাধান হব বুলি নাভাবো।

## বি ঃ ভাণ্ডাৰ ( গুদাম ঘৰ )

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*১২৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নতুন গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহৰ বাবে ভাণ্ডাৰৰ কি ব্যৱস্থা কৰা হৈছে ?

(খ) ভাণ্ডাৰ সাজিবলৈ সমবায় সমিতি সমূহক পোনপটীয়া অৰ্থ মঞ্জুৰী দিব নে ?

শ্ৰীগজেন তাঁতী ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক)—ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমৰ সহযোগত সমবায় সমিতি সমূহক ভাণ্ডাৰ (গুদাম ঘৰ ) সাজিবলৈ ঋণ আৰু অনুদান দিয়াৰ ব্যৱস্থা আছে।

(খ)—উপৰুক্ত আঁচনি মতে প্ৰতি বছৰে কিছুমান সমিতিক অৰ্থ মঞ্জুৰী দিয়া হয়।

শ্ৰীলক্ষী কান্ত শইকীয়া ঃ গাওঁ পঞ্চায়ত পৰ্য্যায়ত সমবায় সমিতি বিলাকত ভাণ্ডাৰ বান্ধিবৰ কাৰণে কি ব্যৱস্থা লৈছে ? এই ক্ষেত্ৰত কিমানখন সমিতিক সাহায্য দিয়া হৈছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ ১৯৭৩—৭৪ চনত ৪৮ খন সমিতিক দিয়া হৈছে, ১৯৭৪-৭৫ চনত ৫০ খন সমিতিক দিয়া হৈছে, ১৯৭৫-৭৬ চনত ৪৩ খন সমিতিক এই কেই বছৰৰ ভিতৰত মুঠতে ১৪১ খন সমিতিক অনুদান দিয়া হৈছে।

শ্ৰীলক্ষী কান্ত শইকীয়া ঃ ভাণ্ডাৰ বিলাকক কি হিচাবে টকা দিছে।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ সমিতি বিলাকক ৩০ হাজাৰ টকা দিয়া হৈছে। ১৯৭৩-৭৪ আৰু ১৯৭৪-৭৫ চনত এই টকা ৩৭.৫ ভাগ অনুদান, আৰু ৬২.৫ ভাগ ঋণ হিচাবে দিয়া হৈছে। ১৯৭৫-৭৬ চনত ৫০ ভাগ অনুদান আৰু ৫০ ভাগ ঋণ হিচাবে দিয়া হৈছে।

শ্ৰীলক্ষী কান্ত শইকীয়া ঃ ১৯৭৫-৭৬ চনত গোটেই ৰাজ্যত ধান সংগ্ৰহ খুব ভাল হোৱা কাৰণে গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহে ভাণ্ডাৰৰ অভাবত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই সমিতি সমূহক সম্পূৰ্ণ অনুদান দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ সম্পূৰ্ণ অনুদান দিব পৰা নহব।

শ্ৰীজগদীশ দাস ঃ ভাণ্ডাৰ বান্ধিবৰ কাৰণে দিয়া ৩০ হাজাৰ টকা যথেষ্ট নহয়। গতিকে চাহিদা পুৰণ কৰিব পৰাকৈ টকা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ ১৪১ খন সমবায়ক দিয়া হৈছে গোটেই বিলাকক দিব পৰা হোৱা নাই। এই ৩০ হাজাৰ টকাৰে বন্ধা গুদাম ১৫০ মেট্ৰিক টন ক্ষমতা সম্পন্ন।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ গোটেই অসমত থকা ৬৬৩ খন সমবায় সমিতিক বিতৰণৰ দায়িত্ব দিয়া হৈছে নে নাই ? এই সমিতি বিলাকে কেনে ধৰণৰ গুদাম ব্যৱহাৰ কৰিছে। গুদামৰ বাবে ক্ষতিগ্ৰস্ত হোৱা সমিতি বিলাকক টকা মঞ্জুৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ ইয়াৰ উত্তৰ দিয়া হৈছে।

শ্ৰীঅতুল শইকীয়া ঃ অনুদান আৰু ঋণ পোৱা স্বত্বেও কিমানখন সমবায় সমিতিয়ে গুদাম ঘৰ সজা নাই জনাবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ কিমান সমবায়-সমিতিয়ে গুদাম ঘৰ সজোৱা নাই এই তালিকা মোৰ হাতত নাই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ এই চচাইটি বিলাকক বিতৰণৰ দায়িত্ব দিয়া হৈছে নে নাই ? ভঙা-চিঙা গুদাম ঘৰ থকাৰ কাৰণে কিমান মাল চুৰি হৈছে এই মাল চুৰি হোৱাৰ কাৰণে যিমান ক্ষতি পুৰণ হৈছে এই ক্ষতি পুৰণ পুৰোৱাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ সকলো খিনিকে দিব পৰা সম্ভৱপৰ নহয়।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ মোৰ প্ৰশ্নটো হ'ল আটাইবিলাক সমবায় সমিতিকে বিতৰণৰ দায়িত্ব দিয়া হৈছে নে নাই। আৰু কিমান সমবায়-সমিতিত গুদাম ঘৰ ভগা-চিগা হোৱাৰ কাৰণে মাল চুৰি হৈছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ সকলোকে বিতৰণৰ দায়িত্ব দিয়া হৈছে। চচাইটি বিলাকৰ কিমান খন গুদাম ঘৰ ভঙা বিতং খবৰ মোৰ হাতত নাই।

শ্ৰীপ্ৰেমধৰ বৰা ঃ এতিয়ালৈকে ১৪৭ খন সমবায়-সমিতিয়ে গুদাম সাজিছে। বাকী খিনি কেইবছৰৰ ভিতৰত সজাৰ কথা ভাৱিছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ এইটো টকাৰ ওপৰত ভিত্তি কৰি প্ৰতি বছৰে সাজি যাও।

**Shri Biswanath Upadhaya** : Sir, there are some societies in the tea garden. Whether any arrangement has been made to hold the stock of paddy and rice in the tea garden society ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ প্ৰায় বিলাক চচাইটিয়ে গুদামৰ কাৰণে দৰ্খাস্ত কৰিব পাৰে। চাহ বাগানৰ চচাইটিয়ে যদি দৰ্খাস্ত কৰিছে তেতিয়া হ'লে বিবেচনা কৰা হব।

শ্ৰীলক্ষী কান্ত শইকীয়া : গুদাম বান্ধিবৰ কাৰণে বিলাটী মাটি আৰু টিনপাতৰ যথেষ্ট অভাৱ। এই সমবায়-সমিতি সমূহক এই সামগ্ৰী খিনি যোগান দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ বিলাটী মাটিৰ যোগান ধৰাৰ ব্যৱস্থা কৰিছো।

বিষয় ঃ গমাৰিগুৰিত পশুচিকিৎসা আৰু পশুপালন কেন্দ্ৰ

শ্ৰীসোণেশ্বৰ বৰাই সুধিছে ঃ

*১২৮। মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট দৈয়াং বনাঞ্চলৰ কেন্দ্ৰ ঠাই গমাৰিগুৰিত খেতিয়ক ৰাইজৰ উপকাৰাৰ্থে পশুচিকিৎসা আৰু পশুপালন কেন্দ্ৰ এটা প্ৰতিস্থা কৰাৰ ব্যৱস্থা কৰা হৈছে নেকি ?

(খ) এই ঠাইত এনে এটা কেন্দ্ৰ প্ৰতিস্থা হলে কিমান লোকৰ উপকাৰ হব বুলি চৰকাৰে ভাবে ?

ডাঃ লুটফুৰ ৰহমান (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—চৰকাৰে গম ৰিগুৰিত এটা প্ৰাথমিক পশুচিকিৎসা কেন্দ্ৰ খোলাৰ সিদ্ধান্ত কৰিছিল। কিন্তু মাটিৰ সীমা বিবাদ থকা হেতুকে সি হৈ নুঠিল। পুনৰ এই বিষয়টো বিবেচনা কৰা হব পাৰে।

(খ)—এই কেন্দ্ৰৰ দ্বাৰা আনুমানিক ১০,০০০ লোকৰ বৰ্ত্তমানে উপকাৰ হব বুলি অনুমান কৰা হৈছে।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, দৈয়াং বনাঞ্চলত কোনো ব্যক্তি-গত লোকৰ মাটি নাই, সেইবোৰ ফৰেষ্ট বিভাগৰে মাটি। গতিকে, আমাৰ ফৰেষ্ট বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যেতিয়া পশুপালন বিভাগৰো মন্ত্ৰী গতিকে ফৰেষ্ট বিভাগৰ মাটিকে লৈ তাত এটা পশুপালন কেন্দ্ৰ কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, তাত যিবিলাক মানুহে মাটি দিব খোজে তেওঁলোকৰ মাটি নাই। আনহাতে নগালেণ্ড আৰু অসম চৰকাৰৰ মাজত এটা ইণ্টেৰিয়াম এগ্ৰিমেণ্ট চলাই থকা হৈছে। গতিকে মাটি পালে কৰা হব।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, বনাঞ্চল, বনাঞ্চল হিচাবে ৰক্ষা কৰাটো দৰকাৰ, কিন্তু অসম চৰকাৰ আৰু নগালেণ্ডৰ শান্তি কমিটিৰ প্ৰতি-বেদনৰ বিষয়ত মই এটা কথা সুধিব খোজো যে সেই প্ৰতিবেদনত স্বাস্থ্য কেন্দ্ৰ বা পশুপালন কেন্দ্ৰ কৰিব নোৱাৰে বুলি কিবা ব্যৱস্থা ৰখিছে নে কি ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, বনাঞ্চল, বনাঞ্চল হিচাবে থাকিব লাগে বুলি চিন্তা কৰা হৈছে আৰু গমাৰিগুৰিত এটা পশু স্বাস্থ্য

কেন্দ্ৰৰ কথাও ভবা হৈছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ অধ্যক্ষ মহোদয়, নগালেণ্ড আৰু অসমৰ মাজত থকা সীমা বিবাদৰ কাৰণে তাত এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খুলিব পৰা নাই বুলি মন্ত্ৰী মহোদয়ে কলে আৰু কলে যে মাটিৰ অভাৱত খুলিব পৰা নাই, প্ৰথমটো সত্য নে দ্বিতীয়টো সত্য মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় দুয়োটাই সত্য । নগালেণ্ডৰ লগত আমাৰ এটা ইণ্টেৰিয়াম এগ্ৰিমেণ্ট চলি আছে আৰু যিসকল লোকে মাটি দিব খোজে তেওঁলোকৰ মাটিয়েই নাই । গতিকে দুয়োটাই সত্য ।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, দৈয়াং বনাঞ্চলত নগালেণ্ডৰ মাটি আছে বুলি কোৱা কথাটো অসম চৰকাৰে মানি লোৱা নাই, কিন্তু তাত কিছুমান ফৰেষ্ট ভিলেজ আৰু টঙীয়া ভিলেজ আছে আৰু তাত অনেক পশু পখীও আছে । এনেক্ষেত্ৰত পশু চিকিৎসাৰ ব্যৱস্থা কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ে মাটিৰ কাৰণে হস্তক্ষেপ কৰিব নোৱাৰে নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ মাটিৰ ব্যৱস্থা কৰাটো টান নহব আৰু পশু চিকিৎসালয় কৰিবৰ কাৰণে বিবেচনা কৰি থকা হৈছে ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ অধ্যক্ষ মহোদয়, আমি প্ৰায় বিলাক ক্ষেত্ৰতে দেখিছো যে টকা চেংচন হোৱাৰ পিচতো টকা ঘুৰি যায়, মাটি বিচাৰোতেই দহ বছৰ লাগে । এই বিভাগে সদায় মানুহক আশ্বাস দিয়েই থাকিবনে কি ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাটিটো দনেচন হিচাবে দিব লাগে আৰু গমাৰিগুৰিৰ বাবে টকা ঘূৰি যোৱা নাই ।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ অধ্যক্ষ মহোদয়, যিহেতুকে তাত এটা স্থায়ী কেন্দ্ৰ স্থাপন কৰিব পৰা নাযায়, সেই হেতুকে এটা অস্থায়ী পশু চিকিৎসা কেন্দ্ৰ স্থাপন কৰাৰ কথা চৰকাৰে চিন্তা কৰিব নোৱাৰে নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অস্থায়ী ভাবে তাত ব্যৱস্থা আছেই ।

শ্ৰীসোণেশ্বৰ বৰা ঃ কিমান টকাৰ আঁচনি লোৱা হৈছে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) ঃ ১০ হেজাৰ টকাৰ আঁচনি লোৱা হৈছে।

## বিঃ পৰ্য্যটক তথ্য কেন্দ্ৰ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*১২৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ ভিতৰত আৰু বাহিৰত পৰ্য্যটক তথ্য কেন্দ্ৰ ক'ত ক'ত আছে ?

(খ) এই কেন্দ্ৰবোৰত কি কি তথ্য প্ৰচাৰ কৰা হয় ?

(গ) গুৱাহাটী ৰেলষ্টচন, মটৰ ষ্টেচন, বিমান বন্দৰত পৰ্য্যটক তথ্য আছে নেকি ?

(ঘ) কলিকতা, দিল্লী, মাদ্ৰাজ আৰু বোম্বে আদি প্ৰধান নগৰ সমূহত অসমৰ পৰ্য্যটক তথ্য কেন্দ্ৰ স্থাপন কৰা হৈছে নেকি ?

ডাঃ লুটফুৰ ৰহমান (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—অসমৰ ভিতৰত গুৱাহাটী, কাজিৰঙা, শিৱসাগৰ আৰু যোৰহাটত পৰ্য্যটক তথ্য কেন্দ্ৰ আছে। অসমৰ বাহিৰত এই চৰকাৰৰ এক মাত্ৰ কলিকতাত এটা পৰ্য্যটক তথ্য কেন্দ্ৰ আছে।

(খ)—এই কেন্দ্ৰবোৰত দেশী বিদেশী ভ্ৰমণকাৰী সকলৰ সুবিধাৰ জ্ঞাতাৰ্থে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য বন আৰু চৰাই চিৰকতি অতিজৰ সাংস্কৃতিক আৰু কাৰ্য্য ধৰ্ম্মমন্দিৰ আৰু বনভোজৰ উপযোগী আকৰ্ষণীয় ঠাইবোৰৰ বিষয়ে ইত্যাদি মৌখিক ভাবে আৰু পুস্তিকাৰ দ্বাৰা প্ৰচাৰ কাৰ্য্য চলোৱা হয়।

(গ)—গুৱাহাটী মটৰ ষ্টেচন আৰু ৰেলৱে ষ্টেচনত কোনো পৰ্য্যটক তথ্য কেন্দ্ৰ নাই। কিন্তু গুৱাহাটী বিমান বন্দৰত এটা পৰ্য্যটক তথ্য কেন্দ্ৰ আছে।

(ঘ)—কলিকতাৰ বাহিৰে দিল্লী, মাদ্ৰাজ, বোম্বে নগৰ অ দিত কোনো পৰ্য্যটক কেন্দ্ৰ স্থাপন কৰা হোৱা নাই।

শ্ৰীলক্ষী কান্ত শইকীয়া ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে অসমৰ বাহিৰত একমাত্ৰ কলিকতাত এটা পৰ্য্যটক তথ্য কেন্দ্ৰ আছে। তাৰ বাহিৰে আন প্ৰধান নগৰাঞ্চলত নাই। চৰকাৰে এই কথাটো বিবেচনা কৰি

চাব নেকি যে যিহেতু আমাৰ এই পৰ্য্যটক তথ্য কেন্দ্ৰলৈ বাহিৰৰ বহুত মানুহ আহে সেই হেতুকে তেওঁলোকৰ সুবিধাৰ কাৰণে অসমৰ বাহিৰত ইয়াৰ কেন্দ্ৰ স্থাপন কৰাৰ কথা চৰকাৰে চিন্তা কৰি চাব নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ বোম্বাইত এটা কৰাৰ কথা আছিল আৰু দিল্লীতো কৰাৰ বিষয়ে চিন্তা কৰি থকা হৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া ঃ অধ্যক্ষ মহোদয়, কলিকতাত যি তথ্য কেন্দ্ৰ আছে তাৰ দায়িত্ব যাক দিয়া হৈছে কি যুক্তিৰ ওপৰত নিৰ্ভৰ কৰি সেই দায়িত্ব দিয়া হৈছে।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, টুৰিষ্ট ইনফৰমেচন চেণ্টাৰ তাত আছে, কিন্তু কি যুক্তিৰ ওপৰত নিৰ্ভৰ কৰি দিয়া হৈছে সেই কথা কোৱা টান।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া : অধ্যক্ষ মহোদয়, যিসকলক দায়িত্ব দিয়া হৈছে তেওঁলোকে পৰ্য্যটনৰ একো কথাই কব নোৱাৰে, তাৰোপৰি বাহিৰৰ পৰা যিসকলৰ মানুহ অসমলৈ আহে তেওঁলোককো অসমৰ বিষয়ে একো খবৰ দিব নোৱাৰে এই কথা সঁচা নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ সঁচা নহয়।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া ঃ অধ্যক্ষ মহোদয়, সেই সকলক কিবা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে নেকি ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, প্ৰশিক্ষণৰ ব্যৱস্থা নাই, কিন্তু কিছুমান ব্যৱস্থা চলি আছে ইতিমধ্যে এজনে জাৰ্মাণ ভাষা শিকি আছে আৰু এজনে জাপানী ভাষা শিকাৰ চেষ্টা কৰিছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, এতিয়ালৈকে কেইখনমান পৰ্য্যটক তথ্যৰ পুষ্টিকা প্ৰকাশ কৰা হল।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সংখ্যা দিয়া টান হব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে আমাৰ তথ্য কেন্দ্ৰ বিলাকৰ. কাম কাজ উন্নত কৰাৰ উদ্দেশ্যে বিশেষকৈ যিবিলাক কৰ্মচাৰী তাত নিয়োগ কৰা হৈছে তেওঁলোকক টুৰিজিম সম্পৰ্কে

প্ৰশিক্ষণ দিয়াৰ কিবা ব্যৱস্থা বা আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নে কি ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সদস্য ডাঙৰীয়াই কোৱাৰ দৰে ব্যৱস্থা কৰাটো উচিত হব, কিন্তু এতিয়া এই ব্যৱস্থা নাই।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : অধ্যক্ষ মহোদয়, এই তথ্য কেন্দ্ৰ বিলাকত যিবিলাক কৰ্মচাৰী আছে তেওঁলোকৰ প্ৰশিক্ষণ থকাৰ দৰকাৰ। প্ৰশিক্ষণ প্ৰাপ্ত নহলে অনেক অসুবিধা হয়। বাহিৰৰ পৰা যিবিলাক মানুহ আহে তেওঁলোকক গোটেই অসমৰ কথাবিলাক এই অফিচাৰ সকলে ভালকৈ বুজাই কব বা ব্যাখ্যা দিব নোৱাৰে সেইকাৰণে এই কৰ্মচাৰী সকলক টুৰিজিম সম্পৰ্কে প্ৰশিক্ষণ দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে কৰিব নে কি ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) : তেনে কোনো ব্যৱস্থা নাই, কিন্তু কৰিবলৈ চেষ্টা কৰি থকা হৈছে।

RE : POLITICAL LEADERS ARRESTED AT SIMALUGURI

Shri Promode Chandra Gogoi asked :

*130. Will the Minister, Home be pleased to state :

Whether it is a fact that certain political leaders were arrested by the Police at Simaluguri in the Sibsagar District on 3rd September, 1974 ?

Shri Hiteswar Saikia (Minister, Home) replied :

130.—4 (four) persons were arrested by Police at Simaluguri on 3rd September 1974 in connection with Nazira P.S. Case No. 6 (9) 74. The persons were found to belong to a Political party.

Shri Giasuddin Ahmed : Sir, may I know who are they and which is the political party ?

Shri Hiteswar Saikia (Minister, Home) : Sir, 4 persons were arrested. I do not want to disclose the names.

Shri Pramode Ch. Gogoi : Sir, may I know whether the stocks of cement found in the godown of those particular dishonest men for which they had no valid permits were seized by the Civil authority at that time ?

Shri Hiteswar Saikia ( Minister ): It was not so, because the case was registered by the F.C.I. staff.

Shri Pramode Chandra Gogoi : Sir, about 400 bags of cement were found stocked by those particular businessmen for which they had no valid permit. Whether those stocks were seized by the Civil authority ?

Shri Hiteswar Saikia, ( Minister ): Sir, so far my information they possessed valid permits.

Shri Pramode Ch. Gogoi : Whether the permit was issued later on ?

Shri Hiteswar Saikia ( Minister ) : That cannot be said Sir, so far as my reports are here they possessed valid permits both for paddy and cement.

Shri Pramode Ch. Gogoi : Sir, according to my information those particular persons had no valid permits to stock 400 bags of cement. I want to know whether any enquiry has been made and whether it is a fact that the parmits were issued later on after 3rd September, 1974.

Shri Hiteswar Saikia ( Minister ) : Sir, I have already said that they had valid permits.

Shri Giasuddin Ahmed : Sir, if they had valid permits ? On what ground they were arrested ?

Shri Hiteswar Saikia ( Minister ) : Sir, actually at

that time there was a de-hoarding campaign for finding out rice stocks and for its distribution and then some people had entered into this mill and they seized the stocks of cement bags and then the matter was reported to F.C.I. and they registered a case against them.

Shri Giasuddin Ahmed : Sir, what was the F.I.R ?

Shri Hiteswar Saikia (Minister): Sir, they illegally entered into the house and seized the bags of cement. It was a tresspass case.

বিষয় ঃ প্ৰচাৰ কেন্দ্ৰ

শ্ৰীলক্ষী কান্ত শইকীয়াই সুধিছে ঃ

*১৩১। মাননীয় তথ্য আৰু প্ৰচাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বাহিৰত অসমৰ সম্পৰ্কে শুদ্ধ খা-খবৰ পৰিবেশন কৰাৰ উদ্দেশ্যে নতুন দিল্লী আৰু কলিকতাত প্ৰচাৰ কেন্দ্ৰ আছে নেকি ?

(খ) যদি আছে, তাত কি ধৰণে কেতিয়াৰ পৰা কাম কৰি আছে ? ( এনে কামৰ এটা প্ৰতিলিপি সদনৰ মেজত থব )

(গ) এই কেন্দ্ৰ দুটাৰ দায়িত্বত কোন কোন বিষয়া আছে ?

(ঘ) এই দুটা কেন্দ্ৰত ইতিমধ্যে কিমান টকা ব্যয় হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( তথ্য আৰু প্ৰচাৰ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক)—বৰ্ত্তমান কেৱল দিল্লীতহে এটা প্ৰচাৰ কেন্দ্ৰ আছে। কলিকতাত তেনে ধৰণৰ এটা প্ৰচাৰ কেন্দ্ৰ স্থাপন কৰাৰ প্ৰাৰম্ভিক ব্যৱস্থা হাতত লোৱা হৈছে।

(খ)—দিল্লী প্ৰচাৰ কেন্দ্ৰটো আৰম্ভ কৰা হয় ১৯৬৮-৬৯ চনৰ পৰা ( কামৰ প্ৰতিলিপি এখন সদনৰ মেজত ৰখা হ'ল )

(গ)—বৰ্ত্তমানে দিল্লী প্ৰচাৰ কেন্দ্ৰৰ দায়িত্বত শ্ৰীজ্যোৎস্না কুমাৰ দাস নামৰ এজন তথ্য আৰু জনসম্পৰ্কীয় বিষয়া আছে।

(ঘ)—দিল্লীত থকা প্ৰচাৰ কেন্দ্ৰটোত ১৯৬৮-৬৯ চনৰ পৰা ১৯৭৪-৭৫ চনলৈকে মুঠ টকা ৩,৩৬,৭০০ ব্যয় হৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া ঃ কলিকতাৰ অসম ভৱনত থকা প্ৰচাৰ কেন্দ্ৰটো মুকলি কৰিবলৈ ইয়াৰ পৰা বিষয়া সকলক লৈ মন্ত্ৰী নিজে গৈছিল। এই কথাটো সচানে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) উদ্ধাধন কৰিবলৈ নহয়। অসম ভৱনত শাখা এটা খুলিব পাৰিলে কি তাকে চাবলৈহে গৈছিলো। পিচে দেখা গ'ল ঘৰটো সৰু। সেই বাবে অন্য এটা ঘৰ ঠিক কৰা হৈছে আৰু তাতে খোলাৰ ব্যৱস্থা কৰা হব।

শ্ৰীলক্ষী কান্ত শইকীয়া : দিল্লীত থকা প্ৰচাৰ বিষয়াজনে প্ৰচাৰ সম্বন্ধে প্ৰশিক্ষণ বা জ্ঞান আহৰণ কৰিছেনে কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : তেখেত তালৈ যোৱাৰ আগত ইয়াত জিলা প্ৰচাৰ বিষয়া হৈ আছিল। সেই হিচাপে তেখেতৰ যথেষ্ট অভিজ্ঞতা আছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : অসমৰ বাহিৰত অসমৰ কিছুমান ভুল প্ৰচাৰ হোৱা কথাটো সচানে ? বিশেষকৈ কেৰেলাৰ মিউজিয়ামত অসমীয়া ছোৱালীক শাৰী পিন্ধাই দেখুৱাইছে, সেই কথা সচানে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) : তেনেকুৱা খবৰ আমি পোৱা নাই।

শ্ৰীলক্ষী কান্ত শইকীয়া : দিল্লীত থকা প্ৰচাৰ কেন্দ্ৰটোৰ যিখন কামৰ তালিকা মেজত ৰাখিছে তাত দেখা গৈছে অসম সম্বন্ধে শুদ্ধ প্ৰচাৰ হোৱা নাই। সেইকাৰণে তাত থকা বিষয়া জনক অসম সম্বন্ধে ভাল জ্ঞান দিয়াৰ দিহা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) ঃ দিল্লীত থকা বিষয়া জন অস্থায়ী ভাবেহে আছে। আগতে তাত যুটীয়া সঞ্চালক আৰু সঞ্চালক পৰ্যায়ৰ বিষয়া আছিল। দিল্লীত লোক সভাৰ সদস্য সকলো আছে আৰু তেখেতসকলেও প্ৰচাৰ কেন্দ্ৰটো পৰিদৰ্শন নকৰা নহয় এতিয়ালৈকে অৱশ্যে কোনো আপত্তি পোৱা নাই। তথাপি এস্ত কৰাৰ চেষ্টা কৰা হব।

শ্ৰীঅতুল শইকীয়া ঃ দিল্লীত বোধ কৰো টেলিপ্ৰিণ্টাৰ নাই। তেনে অৱস্থাত অসমৰ কথাবিলাক কেনেকৈ প্ৰচাৰ কৰা হৈছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) ঃ টেলিপ্ৰিণ্টাৰ ব্যৱস্থা আছে ।

RE : SIBSAGAR CIVIL HOSPITAL

Shri Promode Chandra Gogoi asked :

*132. Will the Minister, Health be pleased to state—

(a) Whether the plan and estimate for construction of the Sibsagar Civil Hospital in the new site has been prepared ?

(b) If so, when the construction is expected to commence.

Shri Girindra Chandra Choudhury (Minister, Health) replied :

(a) & (b)—Plans and estimates for construction of a new 100 bedded hospital at Sibsagar at an estimated cost of Rs. 56 lakhs have been prepared. The project could not be sanctioned owing to shortage of funds during 1975-76. The project is likely to be taken up as soon as funds are available.

বিষয় ঃ ধনশিৰি জলসিঞ্চন আঁচনি

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*১৩৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধনশিৰি জলসিঞ্চন আঁচনিৰ কাম কাৰ্য্যকৰী কৰা হৈছে নেকি আৰু যদি হৈছে কেতিয়াৰ পৰা ?

(খ) এই আঁচনিৰ কাম কিমান দূৰ আগবাঢ়িছে আৰু এতিয়ালৈ কিমান টকা ব্যয় কৰা হৈছে ?

(গ) এই আঁচনিৰ বাবে নতুন অভিযন্তাৰ কাৰ্য্যালয় কৰা হৈছে নেকি আৰু যদি হৈছে কত ?

(ঘ) এই আঁচনি কেতিয়া সম্পূৰ্ণ কৰা হব আৰু কিমান টকা ব্যয় কৰা হব ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—হয়, যোৱা বছৰৰ অক্টোবৰ মাহৰ পৰা আৰম্ভ কৰা হৈছে।

(খ)—সদ্যহতে এই আঁচনিৰ প্ৰাথমিক কাম যেনে কাৰ্য্যালয় আৰু আবাস গৃহ নিৰ্মাণ আৰম্ভ কৰা হৈছে আৰু ইয়াৰ শতকৰা ৩০ ভাগ কাম আগ-বাঢ়িছে। ১৯৭৬ চনৰ ৩১ জানুবাৰীলৈকে ১৬,২৩,৪৬৮ টকা খৰচ কৰা হৈছে।

(গ)—হয়, কৰা হৈছে, ওদালগুৰিত।

(ঘ)—১৯৮০ চনত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে আৰু পোন্ধৰ কোটি তিৰাশী লক্ষ টকা ব্যয় কৰা হব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ এই অ'াচনিৰ জৰিয়তে কিমান হেক্টৰ মাটিত জলসিঞ্চন কৰিব পৰা হব ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ এক লাখ তিনি হেজাৰ একৰ মাটিত জলসিঞ্চন কৰিব পৰা হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ এই খন কোন বিধৰ অ'াচনি ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ বৃহত জলসিঞ্চন অ'াচনি।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ মন্ত্ৰীয়ে কৈছে ঘৰ সজা হৈছে। কিন্তু আমি দেখাত একো কাম হোৱা নাই দেখোন ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ প্ৰথমতে অভিযন্তাৰ ঘৰ আৰু অন্যান্য বিষয়াৰ ঘৰ সজা হৈছে। তাৰোপৰি ভৈৰবকুণ্ডত ইতিমধ্যে মাটিৰ জৰীপ কাৰ্য্য কৰা হৈছে। এতিয়ালৈকে ১৬,২৩,৪৬৮ টকা খৰছ কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ এক লক্ষ মাটি উপকৃত হব বুলি কৈছে। এই মাটি খিনি লগালগি মাটি নে অ'ত এঠাইত ত'ত এঠাইত থকা মাটি ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ মুঠতে এক লাখ ৭৮ হেজাৰ একৰ মাটি তৈয়াৰ কৰা হৈছে। তাৰ ভিতৰত এক লাখ ৩০ হেজাৰ একৰ মাটি খেতিৰ উপযুক্ত হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ ওদালগুৰিৰ উনতিকল্পে তাত এখন সম্মিলন

পাতি সকলো কথা আলোচনা কৰা হৈছিল। তাত আলোচনা কৰা সকলো কথা আঁচনিত ধৰা হৈছেনে ?

শ্ৰীদেবেন্দ্ৰ নাথ বৰা (মন্ত্ৰী) ঃ কৃষকৰ উপকাৰৰ কাৰণেই এই কাম আৰম্ভ কৰা হৈছে। অসমৰ ভিতৰতে এইটো বৃহত জলসিঞ্চন আঁচনি হব। ধনশিৰি নৈ খনত সদায় পানী থাকে। গতিকে গোটেই বছৰত পানী যোগান ধৰিব পৰা হব।

শ্ৰীসোণেশ্বৰ বৰা ঃ মই এই খিনিতে এটা কথাত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজিলৈকে এই বিধান সভাত ৯ বছৰ শেষ হৈ গৈছে। অসমীয়া ভাষাত প্ৰশ্ন উত্থাপন কৰিছো, এই অসমীয়া ভাষাতেই কথা কৈছো। কিন্তু এই কাৰ্য্য বৰ্ণনা বিলাক শুদ্ধ ভাবে লিখিব পৰা নাই। এই বিধান সভাৰ কাৰ্য্যবিৱৰণী কিছুমানত বহুতো সাল সলনি হৈ গৈছে। কিছুমান কোৱা কথাও লিখা হোৱা নাই আৰু নোকোৱা কথাও তুলি দিয়া হৈছে। গতিকে আমি কোৱা কথা বিলাক কোৱা ধৰণৰে থাকিলেও ভাল হয়। গতিকে এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ে বিশেষ সুব্যৱস্থা কৰিব বুলি মই জনালো।

শ্ৰীকবীৰ ৰায় প্ৰধানী ঃ প্ৰশ্ন সম্পৰ্কে আমাৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন আহিছিল। মই জনাত কিছুমানৰ উত্তৰো আহিছে কিন্তু এই উত্তৰ অহা প্ৰশ্ন বিলাক কোনে আটক কৰি ৰাখিছে ? আৰু যিবিলাক প্ৰশ্নৰ উত্তৰ অহা নাই বা পঠিওৱা হোৱা নাই সেই বিলাকেই বা কাৰ দোষত হৈছে। এই গোটেই খিনি কথা ভালকৈ অনুসন্ধান কৰি অধ্যক্ষ মহোদয়ে আমাক জনাব বুলি আমি আশা কৰিলো।

মাননীয় অধ্যক্ষ ঃ অহা শুক্ৰবাৰে ইয়াৰ এটা ষ্টেটমেন দিম।

## Matter Under Rule 301

**Mr. Speaker** : The Question Hour is over item No. 2

শ্ৰীৰাম চন্দ্ৰ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং অনুসৰি ১৯৭৬ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখৰ 'দৈনিক অসম'ত প্ৰকাশিত ৩০ হাজাৰ টকা সহ সন্ধান-

হীন শীৰ্ষক বাতৰিটো সম্পৰ্কে মই উত্থাপন কৰিছো।

এই ক্ষেত্ৰত দুআষাৰ কথা মই কব বিচাৰিছো। পঞ্চায়ত পৰ্য্যায়ত সমবায় সমিতিসমূহক বিতৰণ আৰু সংগ্ৰহৰ দায়িত্ব দিয়া হৈছে। এই সংলিষ্ট সমবায়-সমিতিৰ সম্পাদক জনক নিযুক্তি দিয়াৰ ক্ষেত্ৰত মোৰ অভিজ্ঞতা মতে কিছুমান বেমেজালি ঘটিছে। আৰু তাৰ পৰিণাম হিচাবে বৰ্ত্তমান সেই এলেকাৰ ৰাইজ সকল অসুবিধাত পৰিছে। এই সম্পাদক জনে আমি জনা মতে কেচৰ পৰা ৩০ হাজাৰ টকা আত্মসাৎ কৰিছে। ২৬।১২।৭৫ তাৰিখে চাকৰিত যোগদান কৰে আৰু পুনঃ ৩।১।৭৪ তাৰিখে অনুপস্থিত থাকে বৰ্ত্তমান সৰ্বমুঠ ৩২ হাজাৰ টকাৰ খেলি-মেলি হৈছে। এই লোকজনক সম্পাদক হিচাবে নিয়োগ কৰোতে ৰাইজৰ ফালৰ পৰা কিছু আপত্তি উঠিছিল। আৰু এই মানুহ জনক নিয়োগ কৰাৰ আগতে পুলিচ ৰিপোৰ্ট আদি সংগ্ৰহ কৰা হৈছিল নে নাই। যদি সংগ্ৰহ কৰা হৈছিল তেতিয়াহলে বৰ্ত্তমানে এই ৩২ হাজাৰ লৈ এই সম্পাদক জন পলায়ন কৰাৰ পিচত পুলিচে তেওঁৰ কোনো সুংসুত্ৰ উলিয়াব নোৱাৰাৰ কাৰণ কি ? বৰ্ত্তমানে পুলিছে তদন্ত কৰি তেওঁৰ ঘৰ ক'ত আৰু ক'ত বসবাস কৰে ইত্যাদি তথ্য বিলাক উলিয়াব পৰা নাই। গতিকে তেওঁৰ নিয়োগৰ আগতে যাৱতীয় পুলিচ ৰিপোৰ্ট লৈ নিযুক্তি দিয়া হৈছিল নে নাই এই কথা মই চৰকাৰৰ পৰা জানিব বিচাৰো। ইয়াৰ উপৰিও আজি কেইদিন মান আগৰে পৰা দেখা গৈছে সমিতিয়ে কৃষক সকলক এই ৩২ হাজাৰ টকা ধানৰ মূল্য হিচাবে দিব পৰা নাই। সেই কাৰণে ৰাইজে এদিন ঘেৰাও কৰিছিল। আৰু সমিতিয়ে এই ৩২ হাজাৰ টকা ফিৰাই দিব নোৱাৰে। সেই কাৰণে মই চৰকাৰক কওঁ যে এই ৩২ হাজাৰ টকা সোনকালে সমিতিক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী): দৈনিক অসম কাকতৰ ১।২।৭৬ তাৰিখৰ সংখ্যাত প্ৰকাশ হোৱা "৩০ হেজাৰ টকা সহ সন্ধানহীন" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। দৰং জিলাৰ হেলেম সমবায় সমিতিৰ সম্পাদক শ্ৰীহবিবুৰ ৰহমান যোৱা ২৮।১।৭৬ তাৰিখে তেজপুৰৰ এপেক্স বেংক শাখাৰ পৰা ৩০,০০০ টকা উঠাই অনাৰ পিচত সন্ধানহীন হোৱা বাতৰিটো সঁচা জানিব পৰা গৈছে যে শ্ৰীহবিবুৰ ৰহমান যোৱা ২৭।১।৭৬ তাৰিখে তেজ-

নিযুক্তিৰ কাৰণে যি প্ৰয়োজনীয় পুলিচ ৰিপোৰ্ট আদিৰ দৰকাৰ হয়, সেই সকলো বিলাক কৰা হৈছিল নে?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী): নিযুক্তিৰ ক্ষেত্ৰত যি ব্যৱস্থা লব লাগে সেই সকলো বিলাক লোৱা হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ: এই সম্পাদক বিলাকে টকা-পইচাৰ লেন-দেন কৰিব লাগে গতিকে তেওঁলোকৰ পৰা চিকিউৰিটিৰ কিবা ব্যৱস্থা আছিল নেকি?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী): চিকিউৰিটি দিয়াৰ কোনো ব্যৱস্থা নাছিল।

## Laying of Report

Mr. Deputy Speaker: Item No. 3.

Shri Mohammad Idris (Minister, P.W.D.): Sir I beg to lay the Ninth Annual Report, 1972-73 of the Assam Government Construction Corporation Limited.

Mr. Deputy Speaker: Now, item 4.

Shri Syed Ahmed Ali (Minister, Parliamentary Affairs): Sir, I beg to lay the final Report of the Rules Committee.

Mr. Deputy Speaker: Item No. 5.

Shri Gajen Tanti (Minister, Cooperation): Sir, I beg to move that the Assam Cooperative Land Mortgage Bank (Amendment) Bill, 1976 be taken into consideration.

## The Assam Co-operative Land Mortgage Bank (Amendment) Bill, 1976

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমানে ১৯৭৬ চনৰ অসম সমবায় ভূমি বন্ধক বেংক (সংশোধনী) বিলখন এই সদনত পলম কৰি হলেও অনা কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। (নোহোৱাতকৈ

পলম কৈ হলেও ভাল ) গতিকে যদিও বহুদিন পলম হৈছে তথাপিও এই সংশোধনী অনা কাৰণে মই সন্তোষ পাইছো । আগতে এই সমবায় মাটি বন্ধকী যি পদ্ধতি আছিল সেইটোত বৰ খেলি-মেলি আছিল । যিবিলাকক এই চৰ্তত ঋণ দিয়া হৈছিল সেই বিলাকে বহুত সময়ত এই ঋণ পোৱাৰ যোগ্যতা নাপাইছিল । ইতিপূৰ্বে চিয়াৰ মানি বিক্ৰী কৰাৰো এটা নিয়ম হৈছিল । এনেকুৱাও দেখা যায় যে কোনো কোনো ব্যক্তিয়ে সকলো দলিৰ পত্ৰ সম্পাদন কৰাৰ পিচতো টকা নাপায় । বিশেষকৈ এই মাটি বন্ধকী বেংকৰ কাৰ্য্য গুৱাহাটীতেই আৱদ্ধ আছে । বৰ্তমান পদ্ধতিত যিবিলাক খেতিয়কক শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ হকে যিখিনি ঋণ পাইছিল তাৰ দ্বাৰা প্ৰকৃত উদ্দেশ্য সাধন হোৱা নাছিল । বহু খেতিয়কৰ হ্ৰস্ব ম্যাদী মাটি এই ঋণ গ্ৰহণ কৰাৰ কাৰণে দীৰ্ঘম্যাদী হিচাবে পৰিবৰ্ত্তন কৰিবলগীয়া হৈছিল । যিহওক সেই টকাৰে ভৰাল আদি বন্ধা, গৰু-ম'হ কিনা, কামৰ কাৰণে দিয়া হৈছিল । কিন্তু এই ঋণ বিলাক খেতিয়ক সকলে সময় মতে পোৱা নাছিল আৰু অসমত পোৱা টকাৰে তেওঁলোকে পৰিয়ালৰ অন্যান্য দৰকাৰী বস্তু কিনি জীৱন নিৰ্বাহ কৰিবলগীয়া হোৱাত সেই টকা উৎপাদনৰ কামত খটাব নোৱাৰাটো দুৰ্ভাগ্যৰ কথা । গতিকে আজিলৈকে সেই টকা এই দুৰ্ভগীয়া কৃষক সকলে পৰিশোধ কৰিব পৰা নাই । মই এই সদনতে আগৰে পৰাই কৈ আছিলো যে গৰু-ম'হ নাইবা খেতিৰ সজুলি আদি কিনিবলৈ যি টকা খেতিয়ক সকলক ঋণ হিচাবে দিয়া হয় সেই টকা দীৰ্ঘ ম্যাদী হিচাবে পৰিগনিত হব লাগে । আগৰ টকা খিনি যদি অপৰিশোধিত হিচাবে থাকি যায় সেইটোও বৰ দুখজনক কথা হব । এই আইন হোৱাৰ পিচত সেই লোক সকল ঋণ পোৱাৰ পৰা বঞ্চিত হব । সময় মতে লোন নোপোৱা আৰু হ্ৰস্য ম্যাদী ঋণ দিয়া এই দুটা কথাই আদায় কৰাৰ প্ৰতিবন্ধক । যিহওক মই এটা কথালৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে বৰ্তমানে এই অনাদায় ঋণ বিলাক এই দুখীয়া খেতিয়ক সকলৰ পৰা যি ধৰণেৰে আদায় কৰাৰ পদ্ধতি লোৱা হৈছে সেইটো বৰ ভয়াবহ কথা । আজি সেই মানুহ বিলাকৰ মাজত একোখন জীপ লৈ সমবায় বিষয়া, সকলে পুলিচ লৈ গৈ এই দুখীয়া খেতিয়ক সকলৰ যি খিনি মাল-বস্তু আছে টকা আদায় নিদিলে সেই সকলো বিলাক জোৰেৰে

লৈ অহা হৈছে। যদি এনে ধৰণেৰে কাম চলি থাকে তেতিয়া হলে মানু- হৰ মনত এটা সন্ত্ৰাসৰ সৃষ্টি হ'ব আৰু লাহে লাহে এই সমবায়ৰ প্ৰতি মানুহৰ আস্থা কমি যাব। বেংকৰ পৰা যেতিয়া ঋণ দিয়াৰ ব্যৱস্থা কৰা হ'ল সেই ঋণ খেতিয়ক সকলে সময় মতে পোৱা নাই। এই কথাটো অকল ময়েই নহয় যিসকল লোকে সমবায়ত যোগ দিছিল সেই সকলোৱেও জানে। বৰ্তমান আদায়ৰ পদ্ধতিটো এটা সাংঘাটিক পদ্ধতি। ১৯৫৪ চনতেই যি ঋণ দিয়া হৈছিল সেই ঋণ বিলাকো এতিয়ালৈ ঘুৰাই পোৱা নাই। তাৰ পিচত চেণ্ট্ৰেল বেংকৰ পৰা ঋণ দিয়াৰ ব্যৱস্থা হ'ল আৰু ক্ৰেডিট লিমিট বঢ়াই দিয়া হল তাৰ ফলত যাৰ কম মাটি আছে সেই সকলেও এক হাজাৰ আৰু যিসকলৰ দহ বিঘা বা তাতোকৈ ও বেছি মাটি আছে তেওঁলোককো এক হাজাৰকৈ ঋণ দিয়া হল। কিন্তু এটা কথাও ভাৰিব লাগিব যে ইতি- পূৰ্বে যিবিলাক দুই বিঘা বা পাচ বিঘা মাটি আছিল সেই সকলে লৰা- ছোৱালীৰ চিকিৎসা শিক্ষাৰ আদিৰ কাৰণে সেই মাটি বিক্ৰী কৰি বৰ্তমান তেওঁলোকৰ মাটি নাই। সেই মানুহ বিলাক ভূমিহীন হৈ গল আৰু বহু- তবে আদায় দিয়াৰ কোনো সস্থান নাই। তেনে স্থলত চৰকাৰে আদায়ৰ যি পদ্ধতি ললে সেইটো অতি ভয়বাহ হৈছে। আজি অকল খেতিয়কেই যে ঋণ লৈছে তেনে নহয় চৰকাৰী ঋণ ব্যৱসায়ী সকলেও লৈছে। নিম্ন- তম উপাৰ্জনকাৰী লোক সকলোকো গৃহ নিৰ্মাণৰ কাৰণে লোণ দিয়া হৈছে চৰকাৰী চাকৰিয়ালোকো ঋণ দিছে, কিন্তু এওঁলোকৰো বহুতে আদায় দিব পৰা নাই। খেতিয়কৰ পৰা আদায় কৰাৰ এই ভয়বাহ পদ্ধতিটো অকল তেওঁলোকৰ ওপৰতে কিয় প্ৰয়োগ কৰা হৈছে? তেওঁলোকৰ ওচৰত মাত্ৰ ৬ কোটি টকাহে বাকী আছে। কিন্তু ঘৰ নিৰ্মাণৰ কাৰণে দিয়া ঋণৰ কোটি কোটি টকা বাকী আছে। যিসকলে ঋণ লৈ ব্যৱসায় কৰিছে তেওঁলোকে কোটি কোটি টকা লাভ কৰিছে সেই টকাও ফিৰাই দিয়া নাই। যিসকলৰ এতিয়া খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, থাকিবলৈ ঘৰ নাই সেই সকলৰ ওপৰত জীপেৰে সৈতে পুলিচ নি আদায় কৰিবলৈ গৈ কিয় উপদ্ৰপ কৰিবলগীয়া হৈছে। আজি দুৰ্বলক ৰক্ষা কৰিবৰ কাৰণে চিঞৰা হৈছে। অথচ কৰ্ম ক্ষেত্ৰত তাৰ বিপৰীতটো কৰা হৈছে। যি সকলে ইমান দিনে ঋণ পৰিশোধ কৰিব পৰা নাই সেই সকলক দুস্থ

ম্যাদীৰ পৰিবৰ্তে সেই ঋণ দীৰ্ঘ ম্যাদীত পৰিণত কৰিব লাগে বুলি মই অনুৰোধ কৰো। এক বছৰৰ কাৰণে দিয়া ঋণ যদি দুই বছৰো পৰি আছে তেন্তে সেই ঋণ দীৰ্ঘম্যাদী কৰি আদায়ৰ পথ সুচল কৰাত কি বাধা থাকিব পাৰে ? আজি চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১০ বছৰৰ সময় লৈছে গতিকে এই খেতিয়ক সকলক অন্ততঃ আৰু পাচ বছৰ সময় দিব লাগে। এই বিলাক ব্যৱস্থাৰ কাৰণেই দুখীয়া মানুহ বিলাকৰ অন্যায় হৈছে। লগতে লেণ্ড মৰ্টগেজ বেংক আৰু এপেক্স বেংকক লগ লগোৱাৰ কাৰণে ভাল হৈছে। আগতে ৰাজনৈতিক দৃষ্টিভংগীত ঋণ দিয়া হৈছিল। আৰু চেয়াৰমেন সকলকো মনঃপুত মানুহ দিয়া হৈছিল। এতিয়া যিহেতু এপেক্স বেংকে নিয়ম মানি চলে সেই কাৰণেই ভাল হব। সমবায় আন্দোলন যদি শক্তিশালী কৰিব খোজে তেতিয়া হলে ঋণ দিয়া আৰু ঋণ পৰিশোধ কৰা এই দুয়োটা কথাৰ ওপৰতেই নজৰ দিব লাগিব। ঋণ দিয়াটোৱেই যথেষ্ট নহয়। এই ঋণ উপযুক্ত ভাৱে ব্যৱহাৰ হৈছেনে নাই সেইটোও চাব লাগিব। কাৰণ ঋণৰ টকাটো ব্যৱহাৰ কৰিব নোৱাৰিলে সেই টকা পৰিশোধো কৰিব নোৱাৰিব। গতিকে ঋণ দিয়া টকা বিলাক উপযুক্ত ভাৱে ব্যৱহাৰ হৈছেনে নাই সেইটো টেকনিকেল মানুহ দি পৰীক্ষা কৰাব লাগিব। ইয়াকে কৈ মই মন্ত্ৰী মহোদয়ক অভিনন্দন জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ মাননীয় উপাধ্যক্ষ মহোদয়, আচাম ক'অপাৰেটিভ লেণ্ড মৰ্টগেজ বেংকৰ সংশোধনী বিল খনত মই সমৰ্থন জনাইছো। আগতে ক'অপাৰেভিট লেণ্ড মৰ্টগেজ বেংকৰ যি বিলাক পদ্ধতি আছিল সেই বিলাক অতিক্ৰম কৰি কৃষকে ঋণ লব পৰাতো বৰ টান আছিল। এতিয়া আচাম ক'অপাৰেটিভ এপেক্স বেংক আৰু গাৱলীয়া চচাইটি বিলাকে যাতে লেণ্ড মৰ্টগেজ বেংকৰ নিচিনাকৈ দীৰ্ঘ ম্যাদী ঋণ দিব পাৰে তাৰ ব্যৱস্থা এই বিলখনত কৰা হৈছে। আমাৰ কৃষক সকলক ধনী মহাজন বিলাকৰ পৰা ঋণ লোৱাৰ কাৰণে মহাজন সকলে যে কৃষক সকলে যে কৃষক সকলক শোষণ কৰে সেই কথা আমি সকলোৱেই জানো। ব্যক্তিগত মহাজন শোষনৰ পৰা দুখীয়া কৃষক সকলক ৰক্ষা কৰাৰ কাৰণে চৰকাৰে বিভিন্ন উপায় অৱলম্বন কৰিছে। লেণ্ড মৰ্টগেজ বেংকৰ দ্বাৰা কৃষক সকলক ঋণ দিয়াৰ ব্যৱস্থা কৰিছে। কেতিয়াবা কেতিয়াবা বেংকৰ জৰিয়তেও কৃষক সকলক চৰ্ট টাৰ্ম

ঋণ দিয়াৰ ব্যৱস্থা কৰিছে ! এই ব্যৱস্থা বিলাকৰ দ্বাৰাই দুখীয়া কৃষক সকলক সুদখুৰী মহাজন বিলাকৰ পৰা ৰক্ষা কৰিবৰ কাৰণেই চৰকাৰৰ ফালৰ পৰা এপেক্স বেংকৰ ফালৰ পৰা লেণ্ড মৰ্টগেজ বেংকৰ ফালৰ পৰা কিমান কোটি টকা ঋণ দিয়া হৈছে আৰু সেই টকা কি কামত খটুৱা হৈছে সেই বিলাক কথা চৰকাৰে চাব লাগে । ঋণৰ দ্বাৰা খেতিয়ক সকল উপকৃত হৈছেনে নাই তাৰ তদন্ত কৰাৰ সময় আহিছে । কাৰণ ঋণ দিয়া কথাটো ডাঙৰ কথা নহয় । ঋণৰ এটা উদ্দেশ্য থাকিব লাগিব । এই ঋণৰ উদ্দেশ্য হৈছে দুখীয়া খেতিয়ক সকলৰ অৰ্থনৈতিক উন্নতিৰ বাত মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা । এই ঋণৰ দ্বাৰা খেতিয়কৰ কিমান উপকাৰ হৈছে সেইটো চাবলগীয়া যি উদ্দেশ্যত ঋণ দিয়া হৈছে সেই উদ্দেশ্য সফল হৈছেনে নাই অৰ্থাৎ তাৰ দ্বাৰা উৎপাদন বাঢ়িছে নে নাই তাৰ অনুসন্ধান হোৱা দৰকাৰ । গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতিৰ ফালৰ পৰা বা কঅপাৰটিভ এপেক্সৰ ফালৰ পৰা যি বিলাক দীৰ্ঘ ম্যাদী ঋণ দিয়া হব সেই বিলাক সম্পৰ্কে কিছুমান নীতি নিৰ্দ্ধাৰণ কৰি দিয়া উচিত । এই ঋণৰ দ্বাৰা যাতে খেতিয়ক সকল উপকৃত হব পাৰে তাৰ কাৰণে বিজ্ঞান সন্মত আঁচনি লৈ ঋণ দিব লাগে ।

মাননীয় উপাধ্যক্ষ ঃ আপুনি বহক কোৰাম নাই । (কোৰামৰ বেল)

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ কোনোবা খেতিয়কে যদি ১০ বছৰ ৫ বছৰ বা ১২ বছৰৰ কাৰণে দীৰ্ঘম্যাদী ঋণ লব বিচাৰে তাৰ কাৰণে পৰিকল্পনা সন্মুখত ৰাখিব লাগিব । এই ৫ বছৰৰ ভিতৰত উৎপাদন বঢ়াব লাগিব আৰু ঋণ ঘূৰাই দিয়াৰ ব্যৱস্থা হব লাগিব । এনে ধৰণৰ বিজ্ঞান সন্মত আচনিৰ ওপৰত ভিত্তি কৰি এই ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব । অৱশ্যে এইটো থিক যে ইয়াৰ আগতে যি বিলাক ঋণ দিয়া হৈছিল সেই বিলাকতো আঁচনি আছিল যদিও সেই বিলাকত follow up action হোৱা নাছিল । আৰু এই সম্পৰ্কত ৰাইজৰ চেতনা জাগি উঠা নাই । ঋণ দিয়া হয় অৰ্থনৈতিক উন্নতিৰ কাৰণেহে অৰ্থনৈতিক অৱনতিৰ কাৰণে নহয় । এই সম্পৰ্কত ৰাইজৰ মাজত সচেতনতা জগাই তুলিব লাগিব । আমাৰ তিক্ত অভিজ্ঞতা হৈছে দীৰ্ঘম্যাদি ঋণ আৰু অনান্য ঋণ যি সবল খেতিয়কে লৈছে সেই খেতিয়ক সকল সৰ্বস্বান্ত হৈছে । মাননীয় সদস্য শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানীয়ে যি বিলাক কথা কৈছে সেই বিলাক সচাঁ । যি বিলাক খেতিয়কে দীৰ্ঘম্যাদী ঋণ লৈছিল

সেই সকল শেষত সৰ্বশ্ৰান্ত হৈ ভীক্ষাৰিত পৰিনত হৈছে। ইয়াৰ কাৰণ কি? এই সম্পৰ্কত চৰকাৰে অনুসন্ধান কৰিছেনে ? এই ঋণৰ দ্বাৰা কিয় খেতিয়ক সকলৰ অৰ্থনৈতিক উন্নতি হোৱা নাই ইয়াৰ কত কেৰোণ আছে কত ক্ৰুটী আছে সেই বিলাক চালি জাৰি চাই ভাল সমাধান উলিওৱা উচিত । সেই খিনি কৰিব নোৱাৰিলে ঋণ সম্পৰ্কে আমাৰ অতীতৰ তিক্ত অভিজ্ঞতা ভৱিষ্যতে কামত খটুৱাব নোৱাৰিম । গতিকে প্ৰথমে যিবিলাক ঋণ ইতিমধ্যে খেতিয়কক দিয়া হৈছে সেই ঋণৰ দ্বাৰা খেতিয়ক সকলৰ অৰ্থনৈতিক উন্নতি হোৱা নাই কিয় আৰু বেছিভাগৰ ক্ষেত্ৰতে অৱনতি হৈছে কিয় ? এই কথাবিলাক অনুসন্ধান কৰিবলৈ এটা তদন্ত কমিচন নিযুক্ত কৰা উচিত । আমাৰ মাননীয় সদস্য শ্ৰী প্ৰধানী ডাঙৰীয়াই সচা কথাই কৈছে যে জৰুৰীকালীন অৱস্থাৰ পৰিপ্ৰেক্ষিতত যিবিলাক মানুহে ঋণৰ টকা দিব পৰা নাই সেই মানুহবিলাকৰ পৰা এক ৰকম জোৰ কৰি টকা আদায় কৰা হৈছে । কোনো ক্ষেত্ৰত ১০০ ভিতৰত ১০০ ভাগেই আদায় হৈছে কিন্তু ইয়াৰ যিটো নিগেটীভ ফেক্টাৰ সেইটোও বিবেচনা কৰা উচিত । ঋণ পৰিশোধ কৰিলে কিন্তু কেনেকৈ কৰিলে ? কিছুমানে মাটি বিক্ৰী কৰি, হালৰ গৰু বিক্ৰী কৰি, ঘৈনীয়েকৰ অলংকাৰ বন্ধক দি পুলিচৰ হাতৰ পৰা ৰক্ষা পাবলৈ টকাখিনি দিলে–দিয়াটো ভাল হৈছে কিন্তু আমি যদি অৱনতিহে বিবেচনা কৰি চাও বহুত মানুহৰ তাৰ পৰা অৰ্থনৈতিক উন্নতি নহয় অৱনহিলে হ'ল । ঋণৰ উদ্দেশ্য আছিল ঋণ দি খেতিয়কৰ উৎপাদন বৃদ্ধি কৰা আৰু আৰ্থিক উন্নতি কৰা ; কিন্তু ফল হল ওলোটাতো হে । গতিকে আগৰ ক্ৰুটীবোৰ উলিয়াবৰ বাবে এটা তদন্ত কমিচন গঠন কৰা উচিত যাতে ভৱিষ্যতে ঋণ দাণ ব্যৱস্থাটোক ফলপ্ৰসু কৰিব পৰা যায়।

দ্বিতীয় কথা হ'ল যিবিলাক দীৰ্ঘম্যাদী ঋণ দিয়া হব সেইবিলাক বহুমুখী হব লাগিব । আমি দেখিছো খেতিৰ কাৰণে ঋণ দিয়া হয় আৰু প্ৰয়োজনো আছে কিন্তু তেওঁৰ বাকী চাহিদা মিটাবৰ কাৰণে টকা পায় ক'ত ? গতিকে এই টকা দাইভাৰ্ট কৰি বেলেগ কামত খটুৱাই । হয়তো নিজৰ ঘৰত খাবৰ ভাত নাই গতিকে ঋণৰ টকাখিনি ধান চাউল কিনি খায় ফলত যি উদ্দেশ্যৰে ঋণ দিয়া হৈছিল সেই কাম হৈ নুঠে । গতিকে দৈনন্দিন প্ৰয়োজনৰ ওপৰতও ঋণ দিয়াৰ ব্যৱস্থা থাকিব লাগে আৰু ঋণ বিলাক যাতে উৎপাদনশল হয় তাৰ কাৰণে লক্ষ্য ৰাখিব লাগিব । হ্ৰস্বম্যাদী ঋণ দীৰ্ঘম্যাদী ঋণত

পৰিনত কৰিবৰ ব্যৱস্থাও থাকিব লাগে । বহুত পৰিয়াল আছে যি আজিও ধ্বংসমুখী অৱস্থাতে আছে । এই মানুহবিলাকৰ যিবিলাক আগৰ হ্রস্বম্যাদি ঋণ দীর্ঘম্যাদি ঋণত পৰিনত কৰিলে মানুহবিলাক অর্থনৈতিক বিপর্য্যয়ৰ পৰা ৰক্ষা পাব । ঋণৰ প্রকৃত উদ্দেশ্য দুখীয়া খেতিয়কৰ অর্থনৈতিকআৰু সামাজিক উন্নয়ন সফল হলে হে এই বিলৰ সার্থকতা প্রমানিত হব ।

শ্রীগজেন তাঁতী (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম অসমবায় ভূমি বন্ধক বেংক (সংশোধনী) বিলখন কিয় অনা হৈছে সেই বিষয়ে বিলৰ অবজেক্ট অন্দ বিজিনচত কোৱাই হৈছে । এই সংশোধনীৰ ওপৰত মাননীয় সদস্য সকলে ভাল বুলিয়েই কৈছে আৰু আমাৰো অভিজ্ঞতাৰ পৰা ইয়াৰ পৰা খেতিয়ক সকলে যি সাসুবিধা পাব লাগিছিল সেই সাসুবিধা পোৱা নাই আৰু সেই সকলোখিনি সাসুবিধা এই সংশোধনীত অনা হৈছে । লগতে মাননীয় সদস্য সকলে কেইবাটাও পৰামর্শ আগবঢ়াইছে এই সংশোধনী কৰাৰ পাচত খেতিয়ক সকলক সহায় কৰিবলৈ যাওতে পৰামর্শখিনি মনত ৰাখি কাম কৰি যাবলৈ চেষ্টা কৰিম।

Mr. Deputy Speaker : The motion is that the Assam Cooperative Land Mortgage Bank ( Amendment ) Bill, 1976, be taken into consideration.

( After a pause )

The motion is passed. There is no amendment, so we come to ( c ).

Shri Gajen Tanti (Minister) : Sir, I beg to move that the Assam Cooperative Land Mortgage Bank ( Amendment ) Bill, 1976 be passed.

শ্রীসোনেশ্বৰ বৰা ঃ মাননীয় উপাধ্যক্ষ, বিধান সভাত আজি যি অসম সমবায় ভূমি বেংক (সংশোধনী) বিল উপস্থাপন কৰা হৈছে সেই বিষয়ে দুই আষাৰ কবলগীয়া হৈছো । আমাৰ অতিতৰ অভিজ্ঞতাৰ পৰা কৈছো । আমাৰ শিকিবলগীয়া আৰু বহুতো আছে, এই সমবায় ঋণ পৰিশোধ সম্পর্কে । এই সমবায় ঋণ সম্পর্কে এটা সুদূৰ প্রসাৰী চচ্চ'াৰ আৱশ্যক আছে । আমি যিত জানিছো বা বুজিছো বুলি কলে ভুল কৰা হব ।

লগা বুলি কয় বা লব বিছাৰে সেইমতে বহুতে কামত নলগায়। আমাৰ অসমীয়াত এষাৰ কঠিত কথা আছে যে "য'ত লাগে বুঢ়া গৰু কিন" । আজিও এই ধৰণৰ কথাই হৈছে। কিন্তু আজি এই যুগৰ পৰিবৰ্ত্তন কৰিবলগীয়া হৈছে। ঋণ দি পেলাই বুঢ়া গৰু কিনা কম পইছাত বুঢ়া গৰু নেপায়নো কি পাব আৰু সোনকালে গৰু মৰাৰ পিচত ঋণ টেটু'ত লগা, মাটিবাৰী যোৱা এই গোটেই কথা আৰু বহুতো কথা সোমাই আছে। আজি যদি ঋণ দিয়াৰ নামত ভেটিমাটী উচ্ছন্ন কৰিবলগীয়া হয় তেনেহলে ঋণ নিদিয়াই বা নলোৱাই ভাল। কিন্তু সময়ৰ পৰিপ্ৰেক্ষিতত দেশৰ উন্নতি অৰ্থে বিশেষকৈ কৃষিক ক্ষেত্ৰত গাওঁলীয়া ৰাইজৰ উন্নতিসাধন আদি ক্ষেত্ৰত ইয়াৰ এটা পৰিবৰ্ত্তন আনিবলগীয়া আৱশ্যক হৈছে। যি সকল ব্যৱসায়ী মানুহ সেই সকলে ললে সেই ঋণৰ পৰা ফয়দা উঠাব পাৰে। কিন্তু আমাৰ যি সকল খেতিয়ক তেওঁলোক অকৰা মানুহ তেওঁলোকে ঋণৰ পৰা যিটো ফয়দা বা উৎপাদন পাব লাগে তাৰ পৰা তেওঁলোক বঞ্চিত হয়। আৰু এটা কথা আছে অসমৰ বা ভাৰতৰ মানুহৰ এটা সামাজিক ব্যাধি আছে। অৰ্থনৈতিক ব্যাধিৰ লগত সামাজিক সামঞ্জস্য নিশ্চয় আছে। অসম দেশৰ মানুহে, মই সিদিনাও কৈছিলো আৰু আজিও কব খুজিছো এই অসমৰ মাটিতে নিজে খাব পৰা আৰু আনকো খুৱাব পৰা সম্পূৰ্ণ অৱস্থা আছিল আৰু এই খিলঞ্জীয়া মানুহখিনিয়েই আজি মাটিহীন হৈ পৰিছে। বহুতে আজি টকা পইছাৰ অভাৱত নিজৰ লৰা ছোৱালী বিয়া বাৰু বা মাক বাপেকৰ সকাম কৰাৰ কাৰণে নিজৰ মাটি বন্ধকী বা বিক্ৰী কৰিবলগীয়া হল আৰু মহাজন সকল সেই মাটিৰ মালিক হল। এই অৱস্থা দূৰ কৰিবৰ কাৰণে খেতিয়ক সকলক আজি ঋণমুক্ত কৰিব লাগিব। এই দায়িত্ব চৰকাৰে লব লাগি। কেৱল গাৱলীয়া ধাৰৰ পৰা মুক্ত কৰাই নহয় যি সকলে কোনো মতেও ঋণ পৰিশোধ কৰিব নোৱাৰে সেই সকল চৰকাৰী ঋণ, বেংকৰ আদিৰ পৰাও মুক্ত কৰি দিব লাগিব।

ঋণ দিয়াৰ সময়ত বেংকত আনকি নেশ্যনেলাইজ বেংকতো দেখা যায় যে এক হাজাৰ টকা ঋণ মঞ্জুৰ কৰিবলৈ যাওতেই প্ৰায় ২৷৩ বছৰ সময় লগাই দিয়ে আৰু তাৰ বাবত এক চালামী দিবলগীয়া হয়। আৰু সাধাৰণ ঋণ লোৱা দুখীয়া খেতিয়ক সকলক বেংকৰ ঋণ দিয়াৰ লগতে কেমিকেল মেনিয়ৰ বা

উন্নত ধৰণৰ সচঁ ইত্যাদি দিয়া নিয়ম আছে । কিন্তু যি সকল খেতিয়কে এই সাৰ নিদিয়াকৈয়ো খেতি ভাল হব বুলি বিশ্বাস কৰে সেই সকলে সাৰৰ প্ৰয়োজন নেহোৱা স্বত্বেও সেই সাৰ খিনি লব লগীয়া হয়, যিহেতু ঋণৰ লগত সাৰ ইত্যাদি দিয়াৰ নিয়ম আছে। তাৰোপৰি বেংকলৈ টকা-পইচা বিনিময় কৰিবলৈ যোৱা কিছুমান এজেণ্ট আছে সেই সকলে এই দুখীয়া খেতিয়ক সকলৰ পৰা এই সাৰ খিনি ঋণত কিনি লয় অৰ্থাৎ ধৰুৱা সম্পূৰ্ণ টকাৰ ধৰুৱা হল । আনফালে সাৰ খিনি ললে আচলতে অন্যজনে । অন্যজন মানে বেঙ্কৰ এজন এজেণ্ট । এই দুখীয়া খেতিয়ক সকল বেংকৰ ওচৰত একালে ধৰুৱা হ'ল আৰু আনফালে সেই এজেণ্ট সকলে ফাওতে সাৰ খিনি বাগান আদিক বিক্ৰী কৰিলে । কিন্তু পৰিশোধ কৰিবৰ সময়তো এজেণ্ট বিলাক ধৰুৱা নহল । অৰ্থাৎ তেওঁলোকে দুয়ো ভাগৰে ধৰুৱা হব লগীয়া হ'ল। এই এজেণ্ট বিলাকে সেই সাৰ বিলাক নি বাগানত বেচি দিয়েগৈ আৰু কয় যে এই বিলাক বাৰু মই ঠিক কৰি দিম এনে ধৰণৰ উদাহৰণ মই নিজে কব পাৰো, আমাৰ গোলাঘাটতেই এনেধৰণৰ বহুত উদাহৰণ আছে । গতিকে এই ঋণ লৈ দুখীয়া খেতিয়ক সকলে ভাল ধৰণে প্ৰয়োগ কৰিব পৰা হলে তাক ঠিক মতে বা যথা সময়ত সেই ঋণ পৰিশোধ কৰিব পাৰিলেহেতেন। কিন্তু এই ধৰণৰ দুৰ্নীতি চলি থকাৰ কাৰণে বহু সময়ত দুখীয়া খেতিয়ক সকলে বেংকৰ পৰা লোৱা ঋণৰ সদব্যৱহাৰ কৰিব নোৱাৰে । এই দুৰ্নীতি আতৰ কৰিবলৈ হলে আমি কৃষিৰ বীমা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । ঋণৰ লগতে কৃষিৰ দায়িত্ব লব পাৰে তেতিয়াহলে এই ঋণ প্ৰয়োগ আৰু পৰিশোধ কৰাৰ কাৰণে আমাৰ খেতিয়ক সকলৰ আৰু সুবিধা হব । অকল ঋণ দিয়া আৰু ঋণ পৰিশোধ কৰাতোয়েই ঋণৰ টকা লোৱাৰ উদ্দেশ্য নহয় ইয়াৰ দ্বাৰা যাতে খেতিয়ক সকলে অধিক উৎপাদনত সমল পায় আৰু খেতি কৰি যাতে সহজে সেই ঋণ পৰিশোধ কৰিব পাৰে। গতিকেই চৰকাৰে যিমান সোনকালে পাৰে সিমান সোনকালে এটা কৃষি বীমা ব্যৱস্থা গঠন কৰিব লাগে কৃষি নাবাঢ়িলে চৰকাৰৰ কেৱল খোৱা বোৱাৰেই দায়িত্ব সদায় থাকিব। কৃষি বীমা আজি সমাজ বাদী অৰ্থনীতিৰ এটা এৰাব নোৱাৰা অংগ হিচাবে গ্ৰহন কৰিব পৰা বিষয়। গতিকেও সেই ফালৰ পৰাও এই বিষয়টো গ্ৰহণ কৰিব লাগে। আৰু ঋণ দিওঁতে যাতে কোনো দুৰ্নীতি নহয় সেইটো চাব লাগিব । আজি গাওঁ পঞ্চায়ত পৰ্য্যায়ত ঋণ দিয়াৰ ব্যৱস্থা কৰিছে।

ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক সকলক এসময়ত ঋণ দান সমবায় সমিতি আৰু বেচা কিনা সমিতিক টকা ধাৰে দিবলৈ দিয়া হৈছিল। নিচেই ওচৰতে থকা মানুহেই টকা পাইছিল যদিও ধাৰলৈ দিয়াৰ পিছত সেই টকা পৰিশোধ বহুতৰে হোৱা নাই। গতিকে বা ধাৰ দিয়াতোত হব পৰা দুৰ্নীতিৰ পৰা মুক্ত হব পৰা নাই। এতিয়া ডাঙৰ এই গোটেই কথাবিলাক এই ক্ষেত্ৰত চাব লগা হৈছে। এতিয়া ডাঙৰ চেণ্ট্ৰেল বেংকৰ পৰা টকা খিনি ধাৰলৈ নি সৰু সমবায়ে যেতিয়া ঋণ দিব, সেইবিলাক পৰিশোধ কৰাৰ অসোঁৱাহ বিলাক চাব লাগিব। কৃষি বঢ়োৱা আৰু টকা খিনি কৃষিত লগোৱাৰ দায়িত্বও চৰকাৰে লব লাগিব আৰু কিছু আচঁনি কৰি এই বিলাকৰ দায়িত্ব লব লাগিব। আচঁনিত ট্ৰেক্টৰে হাল বোৱা আৰু বেৰা জেউৰা ইত্যাদি বাবত কিছুপৰিমানৰ খৰচ ধৰি দিয়া হয় যাৰ কাৰণে নিৰ্দ্দিষ্ট পৰিমানৰ টকা সেই উদ্দেশ্যৰ কাৰণে ৰাখিব লগীয়া হয়। যাৰ বেৰা-জেউৰা দিয়াৰ কোনো খৰচ নাই আৰু ট্ৰেক্টৰে হাল নাবালেও হয় সেই সকলে কিয় খৰচ কৰিব লাগে? এইবিলাক আচঁনিত টকা ধৰিবলগীয়া হোৱাৰ কাৰণেই আচল উদ্দেশ্যৰ পৰা বিচ্চিন্ন হৈ পৰে। আৰু ফলত গোটেই বস্তু বিলাক কেৰোণীয়া হৈ পৰে। গতিকে সময়ৰ সাপেক্ষ্যে এই গোটেই কথাবিলাক পৰ্য্যালোচনা কৰি চাব লাগিব। এতিয়ালৈকে পোৱা অভিজ্ঞতাৰ পৰা এই খিনি কথাকে উত্থাপন কৰিছোঁ।

শ্ৰীকেহোৰাম হাজৰীকা: মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ সমৰ্থনত মই কেইআষাৰমান কথা কব খুজিছোঁ। আমাৰ দেশখন কৃষিপ্ৰধান দেশ। এই দেশখনৰ সৰহ সংখ্যক খেতিয়কেই হৈছে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক। অতীজৰে পৰা চলি অহা সামন্তবাদী শোষণ আৰু অত্যাচাৰ আমাৰ সমাজত এতিয়াও বিৰাজমান। আমাৰ দেশত এই ক্ষুদ্ৰ অৰু মাটি-হীন উপান্ত খেতিয়ক সকলক মুক্ত কৰিবৰ হলে, তেওঁবিলাকক সহায় কৰিবৰ যথোচিত ব্যৱস্থা আমি গ্ৰহণ কৰিব লাগিব। সমাজৰ এই সকল লোকক সমবায় পদ্ধতিৰ যোগেদিহে মুক্ত কৰাটো সম্ভৱপৰ হব। এই সম্পৰ্কে সদনৰ মাননীয় সদস্য সকলৰ লগতে মইও একমত। আমি এই কথাটো জানো যে, গাওঁৰ খেতিয়ক সকলক সহায় কৰাৰ নামত সোদখোৰ মহাজন সকলে আচলতে উপান্তহে কৰি আহিছে। কোনো কোনো জেগাত এনেকুৱা ঘটনাৰো নজিৰ আছে যে, ১০০ টকাৰ সুদ ১৫০ টকালৈকে বাঢ়িছে এবছৰত। কোনো

কোনো জেগাত ১০০ টকা ধাৰলৈ দি তিনি মোন কৈ ধান সুদত আদায় কৰা হয় আৰু তাৰ মুদ্ৰাটো থাকিয়েই যায়। এনেকুৱাও কোনো কোনো জেগাত আছে যে, আগতে লাগনী দি থৈ দি পিছত ফছল উঠাৰ সময়ত মুল্যৰ চাৰিভাগৰ এভাগ দামতে মহাজন সকলে লৈ আহে। এইধৰণেই গাওঁৰ মাটিহীন খেতিয়ক সকল ক্ৰমান্বয়ে দুখীয়া হৈ লাগুচাব হৈ যাব ধৰিছে। আৰ্থিক অৱস্থা একেবাৰেই নাইকীয়া হৈ গৈছে। এই অৱস্থাৰ আজি অৱসান ঘটাব লাগে। এই সম্পৰ্কত আমি কামো কৰিছো আৰু ৰাইজকো সংগঠিত কৰিবৰ কাৰণে চেষ্টা কৰিছোঁ। কিন্তু সুদখোৰ মহাজন সকলৰ পৰা মানুহক মুক্ত কৰিবৰ কাৰণে যদি বিকল্প ব্যৱস্থা কৰা নহয় তেতিয়াহলে, এই সকলক উদ্ধাৰ কৰাটো সম্ভৱপৰ নহয়। এই বিকল্প ব্যৱস্থাটো হৈছে এই দুখীয়া খেতিয়ক সকলক সহায় কৰাৰ কাৰণে একমাত্ৰ 'কো-অপাৰেটিভ'। এই কো-অপাৰেটিভৰ জৰিয়তে এই খেতিয়ক সকলক ব্যাপক ভাৱে ঋণ দিয়াৰ ব্যৱস্থা নকৰিলে সুদখোৰ মহাজন সকলৰ হাতৰ পৰা উদ্ধাৰ কৰাটো সম্ভৱপৰ নহব। আমি জানো যে, অতীতত কো-অপাৰেটিভে ঋণ দিছিল, বৰ্ত্তমানেও দিছে আৰু ভৱিষ্যতেও দিব। কিন্তু আমি আগৰ বাস্তৱ অভিজ্ঞতাৰ পৰা এইটো দেখিছোঁ যে, 'লেণ্ডমৰ্টগেজ বেংকেই' হওঁক বা অনান্য গাওঁলীয়া বেংকেই হওঁক, ঋণ দিয়াৰ ক্ষেত্ৰত যি সকলে আচলতে ঋণ পাব লাগে সেই সকলক তাৰ পৰা বঞ্চিত কৰা হয়। ফলত যি বিলাক স্বচ্ছল মানুহে এই ঋণ বিলাক পায় সেই বিলাকৰ কোনোৱে ঋণ দিয়াৰ আচল উদ্দেশ্যত সেইটো ব্যয় নকৰি বিয়া-বাৰু আদি পাতে। কোনোবাই বাঅন্যকামত ব্যয় কৰে। এইটো হোৱাৰ ফলত যি উদ্দেশ্যত ঋণ দিয়া হৈছিল সেইটোত টকা বিলাক ব্যয় নোহোৱাৰ কাৰণে দেশৰ উৎপাদনত বাধাৰ সৃষ্টি হয়। লগতে এই ঋণ বিলাক আদায় কৰাৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হয়। কোনো কোনো জেগাত এনেকুৱাও দৃষ্টান্ত আছে যে, কিহৰ কাৰণে ঋণ ব্যৱহাৰ কৰা হয় সেইটো 'ফল-আপ' নকৰাৰ কাৰণে মানুহে ঋণ খাই বহি থাকে। শেষত ঘটি-লোটা, কাহি-বাতি আদি বিক্ৰী কৰি; কোৰোক কৰি ঋণৰ টকা উলিয়াব লগা হয়। এনেকুৱা ধনৱণৰ ঘটনা আমাৰ মনত আছে। ইয়াৰ আচল কাৰণ হৈছে, যাক ঋণ দিবলাগে সেইজনক ঋণ দিয়া নহয়। যি অলপ খোজাভেজা দিব পাৰে

সেই সকলেহে ঋণ পায় আৰু যি দিব নোৱাৰে সি প্ৰকৃততে পাবলগীয়া জন হলেও নেপায়। কি উদ্দেশ্যত ঋণৰ টকা খৰছ কৰা হল সেইটো 'ফল-আপ' নকৰাৰ কাৰণে বহুদিনলৈকে ঋণৰ টকা পৰি থাকিল আৰু শেষত হঠাৎ এদিন নটিশ জাৰি কৰি ইমান দিনৰ ভিতৰত ঋণৰ টকা পৰিশোধ নকৰিলে ব্যৱস্থা লোৱা হব বুলি কব লগীয়া অৱস্থা হয়গৈ। কিন্তু এই পৰ্য্যায় পোৱাৰ সময় চোৱালৈকে প্ৰকৃত উদ্দেশ্যত ঋণৰ টকা খৰছ কৰা হলনে নাই সেইটো নিৰীক্ষণ কৰাৰ কাৰণে কোনো 'মেচিনেৰী' নাই। ফলত ঋণৰ উদ্দেশ্য ফলৱতী নহয়। এনেকুৱা অৱস্থাতে শেষত গৈ চৰকাৰৰ ঋণ মাৰিবলৈ গৈ সুদখোৰ মহাজনৰ কাষ চাপিবলগীয়া হয়। গতিকেই এই ক্ষেত্ৰত এটা পৰামৰ্শ আগবঢ়াও যে: প্ৰকৃততে যি জনে ঋণ পোৱা উচিত তেওঁ যাতে পাব পাৰে তাৰ ব্যৱস্থা কৰিবলাগে। দ্বিতীয়তে' প্ৰকৃত উদ্দেশ্যত ঋণবিলাক খৰছ হয় নে নহয় সেইটো চাবৰ কাৰণে এটা তদাৰকী কমিটি গঠন কৰি দিয়াটো নিতান্তই দৰ্কাৰী। তাৰ পিছত ঋণ দিয়া খেতিয়কসকলৰ সাৰ-বীজ, পানী, বানপানী আৰু অনান্য আনুসাঙ্গিক কাৰণত খেতি হল নে নাই এই বিলাক চোৱা চিতা কৰিবৰ কাৰণে তদাৰকী কমিটি কৰিব লাগে আৰু সেই তদাৰকী কমিটিয়ে এই সকলো বিলাক যাৱতীয় কথাৰ এটা 'এচেছমেণ্ট' কৰিব। তাৰ পিছত যিটো সময়ত খেতিয়কে ঋণ পালে সেই ঋণটোৰে কাম কৰিব পাৰে সেই সময়ত ঋণ বিলাক পোৱাৰ ব্যৱস্থা কৰিব লাগে। যদি খেতিৰ বতৰ পাৰ হৈ যোৱাৰ পিছতহে খেতিয়কে ঋণৰ টকা পায় তেতিয়াহলে, অন্য কামতহে সেই টকাটো খৰছ হৈ যাব। আমি বেংক বিলাকত দেখিছো যে, অনুসন্ধান আদি কৰোঁতেই খেতিৰ সময় পাৰ হৈ যোৱাৰ কাৰণে শেষত গৈ দুখীয়া খেতিয়ক সকলক ধনী সুদখোৰ মহাজনৰ কাষ চাপিব লগীয়া হয়। গতিকেই সময়ত ঋণ পোৱাৰ ব্যৱস্থা থাকিব লাগে। আমাৰ বেংক বিলাক সাধাৰণতে নগৰ চহৰ আদি উন্নত জেগা বিলাকতহে হয়। এই বেংক বিলাকে এটা নিয়ম বান্ধি দিছে যে, একোটা নিৰ্দ্দিষ্ট দূৰত্বৰ জেগাৰ ভিতৰতহে অৰ্থাৎ ধৰক ৫।২০ বা ৬ মাইলৰ ভিতৰতহে ঋণ দিব। ফলত অনুন্নত জেগাত থকা খেতিয়ক সকল তাৰ পৰা বঞ্চিত হৈয়েই থাকিব। গতিকে এই কথাবিলাকো 'ৰিভাইজ' কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনতে এখন আইন পাছ কৰি আমাৰ চিডিউল কাষ্ট, চিডিউল ট্ৰাইব আৰু অনান্য পিছপৰা সম্প্ৰাদায়

বিলাকক ঋণ মুক্ত কৰিবৰ কাৰণে এখন আইন পাছ কৰা হৈছে যদিও এটা কথা আমাৰ খেতিয়ক সকলৰ মাজত পৰিলক্ষিত হৈছে যে, তেওঁবিলাকে কিছুমান সমস্যাৰো সন্মুখীন হৈছে। এইটো হবলৈ পাইছে কোনো বিকল্প ব্যৱস্থা নথকাৰ কাৰণে। দুখীয়া খেতিয়ক সকলক যে ঋণ মুক্ত কৰিব লাগে সেইটোত আমি একমত আৰু সেই পৰিপ্ৰেক্ষিতেই এই আইন খন আমি সমৰ্থন কৰিছোঁ। কিন্তু তাৰ বিকল্প ব্যৱস্থা নথকাৰ ফলতেই আমাৰ দুখীয়া খেতিয়ক সকল বিপাঙত পৰিছে। 'লেণ্ড-মৰ্টগেজ' সম্পৰ্কত কালি আজিৰ পেপাৰত পঢ়িছো যে, তাৰ দ্বাৰা সামান্য সংখ্যক খেতিয়ক হে তাৰ দ্বাৰা লাভবান হব। গতিকে এই ক্ষেত্ৰত কওঁ যে, এই ব্যৱস্থাটো ব্যাপক হব লাগে আৰু হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণৰ ব্যৱস্থা কৰিব লাগে। উৎপাদন আদি হৈছেনে নাই এই সকলো বিলাক কথা পৰীক্ষা নিৰীক্ষা আদি কৰিহে তাৎকালীন ব্যৱস্থাৰে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণৰ আদায়ৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীজানকী সন্দিকৈ: মাননীয় অধ্যক্ষ মহোদয়, এই লেণ্ড মোৰ্টগেজ বেংকৰ যোগেদি ৰাইজক ধাৰ দি খেতিবাতি কৰিবলৈ সুবিধা কৰি দিয়া আৰু আৰ্থিক সুবিধা কৰি আৰ্থিক উন্নতি সাধনৰ কাৰণে যি চেষ্টা কৰা হৈছে আৰু তাৰ কাৰণে যি সংশোধনী এই পবিত্ৰ সদনত উত্থাপন কৰা হৈছে, সেই সম্পৰ্কত কেইযাৰমান কথা কব বিচাৰিছো। এই সম্পৰ্কত এইটো কথা ঠিক যে এতিয়ালৈকে যি ধৰণে ঋণ সাহায্য আগবঢ়োৱা হৈছে তাৰ দ্বাৰা আচলতে খেতিয়কসকলক কিমান ভাৱে উপকৃত কৰিব পৰা হৈছে সেইটোহে চাবলগীয়া কথা। কেৱল দুখীয়া মানুহক কৃষিৰ কাৰণে বেংকৰ পৰা ঋণ দিলেই আচনিৰ কাৰ্য্যকাৰীৰ সুফল পোৱা নাযাব। সক ফেক্টৰি এটা খোলাৰ ক্ষেত্ৰতে হওক বা চুগাৰ মিল এটা লোৱাৰ বথাই হওক অথবা বাগান এখন খোলাৰ ক্ষেত্ৰতে হওক, এইটো কথাহে চাব লাগিব যে প্ৰকৃততে চৰকাৰৰ ফালৰ পৰা দিয়া ঋণ কাৰ্য্যত ব্যৱহাৰ কৰিব পৰা হৈছে নে নাই। আজি দুখীয়া খেতিয়ক সকলক ঋণ দিয়া হৈছে যদিও সেই ঋণৰ টকাৰ দ্বাৰা তেওঁলোকে খেতিৰ সা-সজুলি আদি কিনি বা মাটি বন্ধকৰ পৰা মোকোলাই খেতি কৰাৰ কাৰণে চেষ্টা কৰিছে আৰু তাৰ দ্বাৰা ঋণৰ সৰহ ভাগ টকাই মাটি মোকোলোৱা, খেতিৰ

সা-সজুলি অথবা বীজ-সাৰ আদি কিনোতেই খৰচ হৈ যায় আৰু তাৰোপৰি
সেই খেতি কৰাৰ সময় হোৱাৰ কাৰণে যিবিলাক দিন হাজিৰা কৰি
খোৱা মানুহ আছে; সেই সকলে দিনটোৰ মজুৰিৰ দ্বাৰা পৰিয়ালটোৰ
ভৰণ পোষণ দিয়ে তেনে অৱস্থাত ঋণৰ টকাৰ দ্বাৰা খেতিৰ সা-সজুলি
আদি অথবা বীজ-সাৰ আদি কিনি যেতিয়া কৰিবলৈ ধৰে সেই সময় ছোৱাৰ
কাৰণে সেই পৰিয়ালটোৰ ভৰণ পোষণৰ কোনো ব্যৱস্থা নথকাৰ ফলত আচলতে
পৰিয়ালটোৱে দুৰ্ভোগ ভূগিবলগীয়া হয়। সেই কাৰণে যাতে আগৰ যিটো
উপাৰ্জনৰ পথ আছিল, তাতে সমানে তেওঁলোকক চলি থাকিব পৰাকৈ কিবা
সাহায্য কৰিব পৰা যায় আৰু তাৰ ওপৰতহে খেতিৰ কাৰণে ঋণ দিব পৰা
যায় সেইটোলৈ লক্ষ্য কৰিব লাগিব তেতিয়াহলেহে কৃষি ঋণ দিয়াৰ যোগেদি
অধিক শস্য উৎপাদন কৰাৰ লক্ষ্যত উপনীত হব পাৰিব বুলি মই বিশ্বাস
কৰোঁ। খেতিৰ আহিলা পাতি আদি কিনাৰ কাৰণে যদি বেলেগে ঋণ
দিয়া নহয় আৰু সেই সময়ছোৱাৰ কাৰণে যদি ভৰণ পোষণৰ ব্যৱস্থা কৰা
নহয় তেতিয়াহলে এই ঋণৰ ব্যৱস্থাৰ দ্বাৰা বিশেষ উপকৃত হব নোৱাৰিব
বুলি মই ভাবো আৰু সেই কাৰণে এই কথাটোৰ ওপৰত গুৰুত্ব আৰোপ
কৰি বিবেচনা কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীনগেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সদনত যিটো
অসম কোঅপাৰেটিভ লেণ্ড মোৰ্টগেজ বেংক ১৯৬০ ৰ ওপৰত সংশোধনী অনা
হৈছে তাৰ ওপৰত কব বিচাৰিছো যে এই বেংকে দীৰ্ঘম্যাদী সূত্ৰত টকা
পইচা দুখীয়া খেতিয়ক সকলক প্ৰকৃত কৃষি কাৰ্য্যত সহায়ৰ কাৰণে আগ-
বঢ়াইছিল যদিও প্ৰকৃততে খেতিয়ক সকল যি ধৰণে উপকৃত হব লাগিছিল সেই
ধৰণে উপকৃত হব পৰা নাই। সেই কাৰণেই চৰকাৰৰ ফালৰ পৰা এই সং-
শোধনী অনা হৈছে আৰু আঞ্চলিক পঞ্চায়তৰ এলেকাত সমবায় সমিতি যি-
বিলাক গঠন কৰা হৈছে সেই সমবায় সমিতি সমূহৰ জৰিয়তে দীৰ্ঘম্যাদী ঋণ
দিয়াৰ ব্যৱস্থা কৰা হৈছে। আচলতে এই বেংকে ঋণ দিয়াৰ পিচত যি-
বিলাক আহিলা পাতি সংগ্ৰহ কৰি খেতিয়ক সকলে ঋণ পাবলাগিছিল আৰু
তাৰ পিচত আঁচনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতে যিখিনি সুবিধা পাবলাগিছিল
সেই খিনিৰ অভাৱ হয় গতিকে বাস্তৱ ক্ষেত্ৰত যি ঋণ সমবায় সমিতিৰ পৰা

লোৱা হয় সেইটো অথলে যোৱাৰো উদাহৰণ আমাৰ অসমৰ খেতিয়ক সকলৰ ওপৰত আছে । আচলতে ঋণ পোৱাৰ পিচতো অৰ্থাৎ এই দীৰ্ঘম্যাদী সুত্ৰত ঋণ পোৱাৰ পিচত যদি উৎপাদন বৃদ্ধি কৰিবলৈ আঁচনি লোৱা হয় তাৰ কাৰণে পানী যোগান আচনি, উন্নত ধৰণৰ সাৰ বীজ নাঙল আদি অন্যান্য ক্ষেত্ৰত চৰকাৰৰ অন্যান্য বিভাগৰ পৰা যিবিলাক সা-সুবিধা পাব লাগিছিল সেই বিলাক সময় মতে নোপোৱাৰ কাৰণেই আচনি অপৰিপক্ক হোৱাৰ কাৰণ হৈ পৰে । অথচ সেই উদ্দেশ্যত ধাৰ দিয়া টকা খৰচ হৈ যায় কিন্তু আচনি হে কাৰ্য্যকৰী হৈ উঠাত পলম হয় । উদাহৰণ স্বৰূপে যদি কোনোবা এজন খেতিয়কে খেতিৰ মাটিত জলসিঞ্চনৰ পাম্প বহুৱাই দিবলৈ বেংকৰ পৰা ঋন লয় বিজুলী যোগান নাথাকিলে ফিলটাৰ পাম্পটো ব্যৱহাৰ কৰিব নোৱাৰিব অথচ বেংকৰ ঋণৰ দ্বাৰা ঋণ গ্ৰস্থতাও হব সুদ আদিও বেছিকৈ দিব লাগিব যদি জলসিঞ্চন বা ট্ৰেক্টৰ আদিওকি নিব নোৱাৰিব আনকি আইন অইন যিবিলাক বিভাগ আছে সেই সকলৰ পৰাও কোনো দিহা পৰামৰ্শ নাপাব ফলত আচনি কাৰ্য্যকৰী কৰাত সফল হোৱা নাযাব আৰু ঋণৰ টকাও এনেহে হৈছে । সেই কাৰণে ঋণ আদি দিয়াৰ ক্ষেত্ৰত সকলো বিলাক বিভাগৰ সমন্বয় ৰখাটো উচিত বুলি মই বিশ্বাস কৰোঁ । বহুত গাওঁলীয়া ঠাইত বিজুলি শক্তি যোগানৰ ব্যৱস্থা নোহোৱা কাৰণেও জলসিঞ্চন আদিৰ কাৰণে লোৱা আচনি কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই । গতিকে দেখা যায় যে আমাৰ খেতিয়কে অধিক শস্য উৎপাদন কৰিবলৈ যি বিলাক আহিলা পাতিৰ দৰকাৰ সেই বিলাক সুবিধা পোৱা নাই । বৰ্ত্তমান সময়ত এই কেইটা সমস্যাই খেতিয়ক সকলৰ সন্মুখত প্ৰধান আৰু প্ৰথম সমস্যা হৈ দেখা দিছে । খেতিয়ক সকলৰ লগত জড়িত থকা বিভাগ বিলাকৰ সমন্বয় নথকাৰ কাৰণে আজি খেতিয়ক সকল ঋনগ্ৰস্থ হৈছে আৰু উপকৃত হব পৰা নাই । খেতিয়ক ঋন দিয়া আদি কৰি যি আচনি লৈছে সেই বিলাক যে কাৰ্য্যকৰী হব তাত মোৰ সন্দেহ আছে । কাৰণ গাওঁ অঞ্চলত বিজুলিৰ যোগানৰ ব্যৱস্থা হোৱা নাই । পানী যোগানৰ আচনি কাৰ্য্যকৰী হোৱা নাই । তাৰোপৰি উৎপাদন বৃদ্ধিৰ কাৰণে প্ৰয়োজনীয় সা-সজুলি আদি পোৱাত খেতিয়কৰ অসুবিধা আছে । আজি আইন কৰিলেই নহব কাৰ্য্যকৰী দিশটো চাব লাগিব । বিজুলি যোগান, জলসিঞ্চন আদি আচনি বিলাকৰ কথা চাব লাগিব । দীৰ্ঘম্যাদী সুত্ৰত খেতিয়ক সকলে ঋন

বিচাৰে । যি সকল দুখীয়া খেতিয়কৰ মাটি মহাজনৰ ওচৰত বন্ধক আছে, তাক মুক্ত কৰিবৰ কাৰণে যি খিনি ধনৰ প্ৰয়োজন সেই ধন পোৱা নাই । লেণ্ড মৰ্টগেজ বেংকৰ পৰা নিয়া টকাৰে ধাৰ মাৰিব নোৱাৰে বৰং বেংকৰ পৰা তেওঁলোক ঋণ গ্ৰস্ত হব । আজি খেতিয়কৰ যি চাহিদা সেই চাহিদা মিতাব পৰা নাই । খেতিয়ক সকলক যদি চ'চাইটি খনে ঋণ দিয়াৰ ব্যৱস্থা কৰি নিদিয়ে তেন্তে খেতিয়ক সকল উপকৃত নহব । গতিকে সমবায় বিভাগে এই ক্ষেত্ৰত দৃষ্টি নিক্ষেপ কৰি আচনি প্ৰস্তুত কৰিব লাগিব । মাননীয় সদস্য সকলে যি পৰামৰ্শ দাঙি ধৰিছে সেই বিলাক কাৰ্য্যকৰী কৰিলে যি উদ্দেশ্য লৈ সংশোধনী আনিছে সি ফলবতী হব । আচনি বিলাকৰ লগত বিভিন্ন বিভাগৰ সমন্বয় ৰাখিব লাগিব । চৰকাৰী যন্ত্ৰটো এই ক্ষেত্ৰত সক্ৰিয় হব লাগিব এই খিনিকে কৈ বক্তব্য সামৰণি মাৰিলো ।

ডাঃ কোষেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, মই সংশোধনী সম্পৰ্কত দুটা মান পৰামৰ্শ দিব বিচাৰিছো । খেতিয়ক সকলৰ অৰ্থনৈতিক দিশটোৰ প্ৰতি দৃষ্টি ৰাখি যাতে আচনি বিলাক কাৰ্য্যকৰী কৰিবলৈ লয় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত । আমি আগতে দেখি আহিছো দুখীয়া খেতিয়কৰ কাৰণে যি কাম কৰে তাৰ ফল ভোগ কৰে ধনী সকলে । এই ঋণ বিলাক দুখীয়া খেতিয়কক সময় মতে দিব লাগে । যি সময়ত খেতিয়কৰ গৰু কিনিবৰ কাৰণে টকাৰ প্ৰয়োজন সেই সময়ত দিব লাগে । সাধাৰণতে দেখা যায় আহিন কাতি মাহত অৰ্থাত যেতিয়া খেতি শেষ হয় সেই সময়ত ঋণ মঞ্জুৰ হয় । ফলত যি উদ্দেশ্যেত ঋণ লৈছিল সেই উদ্দেশ্যত প্ৰয়োগ নকৰি কাপোৰ কানি কিনাত খটায় । সেই টকা খেতিয়কে খেতিত ব্যৱহাৰ কৰিব নোৱাৰে । যি সময়ত টকাৰ প্ৰয়োজন নাই, সেই সময়ত যাতে ঋণ দিয়া নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে । তাৰ ওপৰি ঋণ লওতে বস্তু আদি নিব লাগে । খেতিয়ক সকলে ৰাসায়নিক সাৰৰ প্ৰয়োগ নাজানে ফলত খেতি নষ্ট হয় । যদি টকা দিলেহেতেন তেন্তে ভাল মতে খেতি কৰিব পাৰিলেহেতেন । আমাৰ খেতিয়ক সকলে গোবৰ সাৰ প্ৰয়োগ কৰে ইয়াৰ ফলত খেতিৰ কোনো নষ্ট নহয় । আগতে যিমান বিলাক ঋণ দিয়া হৈছিল ৰাইজে ভাবিছিল চৰকাৰী ঋণ ঘূৰাই দিব নালাগে । চৰকাৰী বিষয়াৰ হেমাহিৰ কাৰণে এই ঋণ বিলাক সময় মতে আদায় কৰিব পৰা নাই । পাচ শ টকাৰ যি

ঋণ লৈছিল এতিয়া এক হেজাৰ, ডেৰ হেজাৰ টকা সুত দিব লগা হৈছে। জৰুৰী অৱস্থাৰ আলম লৈ আহিন কাতি মাহত খেতিয়ক সকলক জুলুম কৰাৰ বাবে গৰু, মাটি আদি বন্ধক দি ঋণ পৰিশোধ কৰিব লগা হৈছে। আঘোন, পুহত হলে ধান আদি বিক্ৰী কৰি ঋণ আদায় দিব পাৰিলেহেতেন। গতিকে সংশোধনীটো অনা হৈছে এই ক্ষেত্ৰত যাতে খেতিয়ক সকলক ঋণ আদায়ৰ ক্ষেত্ৰত জোৰ জুলুম কৰা নহয় তাৰ প্ৰতি ব্যৱস্থা কৰিব লাগে। এই খিনি কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সংশোধনীটো সমৰ্থন কৰি মাননীয় সদস্য সকলে বহুত লাগতীয়াল পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে ধন্যবাদ জনাইছো। মাননীয় সদস্য সকলে পৰামৰ্শ আগবঢ়াইছে যে, ঋণ বিলাক ব্যৱহাৰ কৰিছে নে নাই তাক চোৱাৰ ব্যৱস্থা নাই ফলত খেতিয়ক সকল বেচি ঋণ গ্ৰস্ত হৈছে। এইটো কথা ঠিক যে টকা বিলাক ভাল মতে ব্যৱহাৰ কৰিব পাৰে আৰু খেতিয়ক সকলক বুদ্ধি পৰামৰ্শ দিয়াটোত বেংক বিলাকৰ দায়ীত্ব আছে। খেতিয়ক সকলক সহায় কৰিবৰ কাৰণে কিছুমান ফিল্ড অফিচাৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছিল। লং টাৰম আৰু মিড টাৰমৰ আঁচনি বিলাক কৃষি বিভাগৰ লগত আলোচনা কৰি কৰা হয়। কৃষি বিভাগ আৰু পঞ্চায়ত বিভাগ ইৰিগেচন বিভাগ আৰু সমবায় বিভাগৰ লগত সমন্বয় ৰাখি ব্যৱস্থা হাতত লোৱা হৈছে। ডাঃ কোমেশ্বৰ বৰাই কৈছে যে, ঋণ আদায়ৰ ক্ষেত্ৰত আহিন কাতি মাহত দুখীয়া খেতিয়ক সকলক জুলুম কৰা হয়। সেই সময়ত যাতে টকা পৰিশোধৰ ব্যৱস্থা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিম। এইটো ঠিক যে কিছুমানে অক্ষমতাৰ বাবে ঋণ দিব পৰা নাই আৰু কিছুমানে ইচ্ছা কৰিয়েই ঋণ দিয়া নাই। ইচ্ছা কৰি নিদিয়া সকলৰ প্ৰতি ব্যৱস্থা লোৱা হব। বাকী যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেই খিনি কাৰ্য্যকৰী কৰিবৰ কাৰণে চেষ্টা কৰিম।

শ্ৰীসোনেশ্বৰ বৰা ঃ টকা ধাৰে লওতে দুই তিনিটা বিষয় থাকে। আৱশ্যক নোহোৱা বিষয় কেইটা ভালুকৰ সাঙিৰ দৰে। আৱশ্যক নোহোৱা বিষয় কেইটা নোলোৱাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ গোটেই কেইটা বিষয় যে লব লাগিব

* Speech not oorrected.

তাৰ ধৰা বন্ধা নিয়ম নাই ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ অধ্যক্ষ মাহাদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এক শ্ৰেণী হৈছে উইলফুল ডিফলটাৰ আৰু আনটো হৈছে এনেবোল ডিফলটাৰ । এইটো যদি উলিয়াব পৰা নাযায় তেন্তে দুখীয়া মানুহবিলাক তেনেই মৰিব । যিবিলাক দুখীয়া মানুহে ঋণ লৈছিল তেওঁলোকক ঋণ মুক্ত কৰাৰ কথা আছিল, ঋণ মুক্ত কৰিব নোৱাৰিলেও লংটাৰ্মচ বেচিচ কৰি দিলেও তেওঁলোকে যথেষ্ঠ সুবিধা পাব ।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো লেণ্ড মৰ্টগেজৰ হে কথা ।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, মই দুৰ্নীতিৰ কথা এটা কব বিচাৰিছো । কথাটো হৈছে যিবিলাকে চৰকাৰৰ টকা ধাৰে লয় ধাৰে লওঁতেই এই দুৰ্নীতিটো আৰম্ভ হয়, এজনে যদি টকা ধাৰে লয় তেন্তে হয়তো আন এজনে কয় যে চৰকাৰৰ ধাৰ নো কোনে মাৰে তই এহেজাৰ টকা পাবি মোকো দুশ টকা দে । এনে ধৰণৰ অনেক কথা শুনিবলৈ পোৱা যায় । আমাৰ গোলাঘাটতে হোৱা শুনিছো । এই দুৰ্নীতিবোৰ আঁতৰোৱাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হব ।

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, লেণ্ড মৰ্টগেজ এক্টৰ জৰিয়তে যিবিলাক ধাৰ দিয়া হয় জি পি লেভেল চোচাইটিৰ জৰিয়তে দিয়া হয় । গতিকে এই ধাৰ লওতে আচলতে ধাৰে লওঁতা সকল বেংকলৈ নাযায়েই আৰু বেংকত এনে দুৰ্নীতি হোৱা কথাটো বিশ্বাস কৰিবলৈ টান হয় ।

## GOVERNMENT RESOLUTION

Mr. Speaker : The motion is that the Assam Co-operative Land Mortgage Bank ( amendment ) Bill, 1976, be passed.

Now item No. 6

( The motion is passed...... The bill is passed. )

Dr. Lutfur Rahman ( Minister, Forests ) : Whereas, this Assembly considers that it is desirable to have a

uniform law through out India for the protection of wild animals and birds and for matters connected there with or ancillary or incidental there to.

And whereas, the subject matter of such a law is relatable mainly to entry 20 (Protection of wild animals and birds) of list II. State list of the Seventh Schedule to the Constitution of India;

And whereas, Parliament has no power to make laws for the states with respect to the matters aforesaid except as provided in Articles 249 and 250 of the Constitution of India;

And whereas, it appears to this Assembly to be desirable that the aforesaid matters should be regulated in the State of Assam by Parliament by law.

And whereas, the Parliament has enacted the wild life (protection) Act, 1972, (No. 53 of 1972) to provide for protection of wild animals and birds and for matters connected therewith or ancillary or incidental there to.

Now, therefore, in exercise of the powers conferred by Clause (I) of Article 252 of the constitution of India and Sub-section (2) of Section 1 of the wild life (Protection) Act, 1972, this Assembly hereby resolves that the wild life (Protection) Act, 1972, this Assembly hereby resolves that the wild life (Protection) Act, 1972, (No. 53 of 1972) be adopted in its application to the State of Assam.'

Mr. Speaker: Motion moved. The House stands adjourned till 2.30 P.M.

(The House reassembled at 2.30 P. M., after lunch with Mr. Deputy Speaker in the chair)

Dr. Lutfur Rahman (Minister, Forests): Sir, this resolution has been necessary, this august House is to pass such a resolution, because of the fact that Parliament has already passed the Act and unless the resolution which has been brought in this House is passed by this House, Parliament, by law cannot make it effective in the State as I have already explained when moving this resolution. Sir, the Hon'ble Members might have a little doubt about the adoption of this Act, this Act for protection of wild Life. Sir, we are all aware that unrestrained killing of wild animals created a problem when many precious varieties of wild lives were lost to this world and some more species were going to be extinct. If we go to the history of evolution, we find, when animal life was created in this world, there was a struggle for existence-the superior animals at the expense of inferior animals, the stronger animals at the expense of weaker animals surviving. Man, if we believe in evolution man, the superior animal, considered a condition where either by domestication of wild animals for its own purpose or by killing animals for its food or by killing animals just for its protection or its fun, human was going to eliminate many kinds of animals from the surface of the earth. But then man, the superior animal understood that there should not be any more killing. All animals, including man has got a right to survive and live on this earth. Therefore, this act has come.

As we must live, so others. As we must have space to live, so other animals must have space to live. Therefore, a distinction should be made, who is to live and who is not to live, whete to live and where not to live. We shall have to understand that all the animals have got a right to live, they must be given protection and territory to live. Therefore, this Act, Sir, Other animals have got a right to live. Their place must be vacated by man, they should not be killed because man wants to kill. Therefore, the superior animal, man decided to have an Act like this in Parliament and it was passed but our Constitution does not allow that such Act should be applicable to every state unless the State Legislatures agree to have it in their state and therefore, I have come to this House to get its approval, to have this Resolution passed, so that the Central Act which was designed for a good purpose should be adopted by this State. I can assure the Members that whatever loop-holes there had been or were suspected to have been before, have been thoroughly examined. Many other States in India have already adopted this Act but we were a little suspicious and so the Government had it thoroughly examined by the State Wild Life Board, and the Wild Life Board, in its wisdom, set up a committee including some very wise Members of this House in order to make a thorough scrutiny of all the provisions of the Act. Shri Gaurisankar Bhattacharyyi, Shri Md. Umaruddin who is now a Minister and Shri B.R. Phukan were in that Committee, and they all agreed that this Act should be adopted and that its

adoption will not harm the State but it will be beneficial to the State. Therefore I move the Resolution and I hope the House will be pleased to pass it.

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, বিধান সভাৰ মন্ত্ৰিয়াত বন্য-প্ৰাণী সংৰক্ষন আৰু ইয়াৰ ধ্যান-ধাৰণা সম্পৰ্কে যিটো প্ৰস্তাৱ এই সদনত উত্থাপন কৰিছে সেই প্ৰস্তাৱৰ ওপৰত আলোচনা আৰু সমালোচনা কৰাৰ বহুতো স্থল আছে। সৃষ্টিৰ আদি কালৰে পৰা মানুহে খাদ্য হিচাবে জন্তু আৰু চৰাই-চিৰিকটিৰ মাংসকে গ্ৰহণ কৰি আহিছে। সিজাই-পগাই, বান্ধি বাৰি খাব নজনা কালৰে পৰা এই দেশৰ মানুহে মঙহ খাদ্য হিচাবে খাইছিল আৰু সেই প্ৰভাৱ এতিয়া অসম কিয় সমগ্ৰ ভাৰতত্তে অব্যাহত আছে। এই চিকাৰ সভ্যতাটো এটা সভ্যতা হিচাবেই পৰিগণিত হৈছে আনকি কৃষ্টি, সংস্কৃতিৰ লগত জড়িত হৈ পৰিছে। এনে কি আজি যি সকল নাট্যকাৰ, সেই সকলে নাট কৰোতে বা নৃত্যৰ মাজেৰে এই চিকাৰ সভ্যতাৰ এটা নিদৰ্শন দিয়াও দেখা যায়। এই মাছ-মাংস ব্যৱহাৰ কৰাৰ কথাটো আমাৰ কৃষ্টি সভ্যতাৰ লগতে জড়িত আৰু সভ্যতা, কৃষ্টিৰ লগতে এই বিষয়টোও এটা সামৰি লোৱা কথা বুলি মই নিজেও মনৰ বিৰুদ্ধে হলেও স্বীকাৰ কৰো। অৱশ্যে মই নিজেও মাংস খাওঁ। অন্যপিনে আমাৰ যিখিনি ধৰ্মীয়তত্ব আছে মই তাকো স্বীকাৰ কৰো। যদি কোৱা হয় যে 'য'ত জীৱ তত শিৱ' আৰু যদি এই কথা ফাকিকে সকলোৱে মানিলে হেতেন তেতিয়া হলে সাধাৰণতে জীৱ হিংসা কৰাৰ কোনো কথাই নাছিল। আৰু মানৱ সমাজত এনে ধৰণৰ আইন নকৰাকৈয়ে উপকৃত হল হেতেন। এনেধৰণৰ তত্বশীল তথ্য আমাৰ ধৰ্মত পোৱা স্বত্বেও আজিলৈকে আমি তাক মানি চলিব পৰা নাই। গতিকে এনে কথা এটা আমাৰ ধৰ্মত সন্নিবিষ্ট হৈ থকা স্বত্বেও আজিলৈ আমি মানি চলা নাই। আৰু আজি সংসদত এখন আইন প্ৰনয়ণ কৰিয়েই মানুহৰ গোটেই দৃষ্টিভঙ্গী পৰিবৰ্ত্তন কৰাটো সহজ নহব। অতিজৰে পৰা আজিলৈকে উৰণ-ফুৰণ-গজণ ভ্ৰমণ এই চাৰি মুঠি জীৱ লৈকে সৃষ্টি-খন গঠিত আৰু ঠিক তেনেকৈয়ে চলন-ফুৰন-বন্ধন-ভোজণ আদি লৈ আমাৰ সংস্কৃতি আৰু সভ্যতাই এটা থাচ লৈ আহিছে। এনেধৰণৰ পুৰণি সংস্কাৰ, সভ্যতা যিটো দকৈ গঢ়ি উঠিছে সেইটো আজি এখন বিধান সভাত আইন পাচ

হলেই যে আমাৰ এই দৃঢ়ভাৱে গঢ়ি উঠা সভ্যতাটোৰ সংস্কাৰ সাধন হব সেই কথাটো মই নাভাবো। এই বিলখন পাচ হলেই হয়টো আৰু কিছুমান ইয়াৰ লগতসংলগ্ন সমস্যাৰ চৰকাৰ সন্মুখীন হব লাগিব। সেই কাৰণে এই বিল খন প্ৰনয়ণ কৰাৰ আগতে এই বিলত যথেষ্ট আলোচনা-সমালোচনাৰ থল আছে।

এই খিনিতে মই এটা ঘটনা উল্লেখ কৰো। মই এখন বন্যপ্ৰাণী সংৰক্ষণ সভালৈ এখন গাড়ীৰে গৈছিলো। সেইখন সভাত আমাৰ সেই সময়ৰ বন বিভাগৰ মন্ত্ৰী বসুমতাৰী ডাঙৰীয়াও আছিল। আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ এজন বিশষজ্ঞয়েও সেই সভাত বহুতো বক্তৃতা দিছিল। আৰু তেখেতসকলৰ লগত ময়ো যেনিবা 'ঢোলৰ লগত টেমেকা' হৈছিলো। কিন্তু সভালৈ আহোতে দেখো যে এঠাইত বাটতে এখন গাড়ী থমাই সভালৈকে অহা এজন মানুহে বাটতে ঠিয় হৈছে। গতিকে আমাৰ গাড়ী খনো সেই ঠাইতে ৰখাই তেখেতৰ কিবা অসুবিধা হৈছে নেকি সুধিলো। ভালকৈ লক্ষ্য কৰি দেখিলো যে মানুহ জনে হাতত বন্দুক এটা লৈ ওপৰলৈ টোৱাই আছে। সেই লোক জনো বন্য প্ৰাণী সংৰক্ষনৰ সভালৈকে আহিছিল। তেখেতে কি কৰিছে বুলি সোধাত তেখেত কলে যে পূৰ্বপুৰুষ সকলে আজিলৈকে কৰি যোৱা কৰ্ত্তব্যকে মই পালন কৰিছো। এই কথাষাৰ মই আজিৰ বাহিৰে আগতে প্ৰকাশ কৰা নাছিলো। গতিকে অতীজৰে পৰা আমাৰ মানুহৰ ভিতৰত এটা প্ৰবৃত্তি নিগূঢ় ভাৱে গঢ়ি উঠিছে আৰু মানুহৰ সেই প্ৰবৃত্তিক এখন আইন প্ৰনয়ণ কৰি পৰিবৰ্ত্তন কৰাটো সুকঠিন। ইংৰাজ শাসনৰ দিনতো এনেধৰণৰ কথা আছিল যে কাৰোবাৰ পট্টাৰ এডৰা মাটিত গৈ যদি কোনোবাই চিকাৰ কৰে তাৰ বিৰুদ্ধেও মাটিৰ মালিকে আদালতত গোচৰ দিয়াৰ সুবিধা আছে। গতিকে এনেধৰণৰ কথা আগতেও আছিল। মহাপুৰুষ শংকৰদেৱে এই জীৱ হত্যাৰ বিৰুদ্ধে এটা সামাজিক বিপ্লৱৰ সৃষ্টি কৰিছিল। আৰু মহাপুৰুষে ধৰ্মৰ মাজেৰে সেই ব্যৱস্থাটো কৰিছিল। কিন্তু আমি আজিও আনকি সেই ধৰ্ম গ্ৰহণ কৰাৰ পিচতো জীৱ হত্যাৰ পৰা বিৰত থাকি সেই ধৰ্মক পালন কৰিব পৰা নাই। আমাৰ এনেধৰণৰ এটা প্ৰবৃত্তি আজিও আমাৰ মাজত নিহিত হৈ আছে। আজিও আমি বন্যহিংস্ৰ জন্তু বাঘ, খেদি মাৰি আৰু পহু আদি খেদি আনি মৰাৰ যি প্ৰবৃত্তি বিৰাজমান তাৰ দ্বাৰা মানুহে এক প্ৰকাৰ আমোদ পাই। তেজপুৰৰ চতিয়া অঞ্চলত জাল পাতি বাঘ খেদি

আনি মৰাৰ প্ৰথা এতিয়াও আছে। এনে প্ৰথা অৱশ্যে আমাৰ ফালেও আছে। বিশেষকৈ হিংস্ৰ জন্তু মাৰোতেও যদি চৰকাৰৰ অনুমতি লৈহে মাৰিবলগীয়া হয় তেতিয়াহলে সেই জন্তুতোৰেই দেখোন অন্য, বহুতো মানুহ, জন্তু, আদি বধ কৰিব। যদি ধৰা হয় যে এজনৰ ঘৰত এটা বন্দুক আছে। এটা বাঘে যদি গৰু এটা মাৰে তেন্তে সেই বাঘটোক সেই বন্দুকেৰে বাধা দিয়াটো জগৰৰ কাম হব। বান্দৰ সাধাৰণতে মানুহে নামাৰে। কাৰণ এই বান্দৰ ৰামায়ণৰ মতে ৰামৰ ভক্ত আছিল আৰু অতীজৰে পৰা সিহঁত মানুহ আছিল বুলিয়েই মানুহে বান্দৰ নামাৰে। কিন্তু আকৌ মহাভাৰতত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে ছয় আতায় তাইত বধ কৰিলে কোনো দোষ নাই। এই বান্দৰে যদি আমাৰ শস্য ধ্বংস কৰে আমি তাক এই ছয় আতায় তাইত ধৰি লৈ বধ কৰিলে একো দোষ হব নোৱাৰে। অৱশ্যে চিৰিয়াখানাত পশু-পক্ষীক ৰক্ষা কৰিব পাৰে। কিন্তু মোৰ বিশ্বাস বোধকৰো এই প্ৰসঙ্গতে পশু-পক্ষী মৰাৰ কথাৰ বন্য প্ৰাণীৰ কাৰণে আৱশ্যকীয় হাবি জঙ্গলৰ কথাও সামৰি লোৱা হব নে কি? অকল জীৱ জন্তুৰ কথাই নহয় প্ৰস্তাৱটোত জন্তুৰ আশ্ৰয় স্থল হাবি জঙ্গলৰ কথাও থাকিব বোধহয় আজিকালি হাবি জঙ্গলো নাইকীয়া হ'ল আৰু বনৰীয়া জীৱ জন্তুও দেখিবলৈ নাইকীয়া হল। আজিৰ পৰা ৪০--৫০ বছৰ আগত এনেকুৱা ঠাইয়ো আছিল যে খাগৰি বিৰিঙা ইমান ডাঠ আছিল যে বতাহ জাক মাৰিলে খাগৰি বিৰিঙা হলি পৰে আৰু পহু জাক ওলাই পৰে। আকৌ ইফালে বতাহ জাক মাৰিলে পহু জাক ধাক খাই পৰে এতিয়া কিন্তু বনৰীয়া জন্তু সোণৰ লাডু ৰ দৰে হৈ পৰিছে। কাজিৰঙাৰ বাহিৰে হাবিও নাইকীয়া হল। এবাৰ এজন মন্ত্ৰী দৰঙলৈ যাওঁতে অভ্যৰ্থনাকাৰীয়ে নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ আহি কাজিৰঙাত পহু মাৰি নি মন্ত্ৰীক ভোজ খুৱাইছিল। তাৰ দাগ অৱশ্যে কোনোবো গাত নলগা নহয়। আৰি মৰা আই-বিৰ সমুখত বৌ চিতলৰ ৰখলা ৰখলা বাকলি পৰি থাকে। সেইবোৰ উদে খাই নে মানুহে খায়। ইমান ডাঙৰ বৌ-চিতল নিশ্চয় উদে খাব নোৱাৰে। মানুহেই খাব লাগিব। সেইকাৰণে শাস্ত্ৰত কৈছে 'ধন্য ধন্য কলি কাল, ধন্য নৰ তনু ভাল, ধন্য ধন্য ভাৰত বৰিষ।' কলি কালটোও ভোগৰ নৰ তনুও ভোগৰ আৰু ভাৰতবৰ্ষ দেশ খনো ভোগৰ ঠাই। গতিকে এনেকুৱা এখন দেশত মানুহৰ এই কৌটিকলীয়া মাছ-মাংস খোৱা প্ৰবৃত্তিটো গুচাব নোৱাৰিলে কেৱল আইনৰ দ্বাৰা বন্ধ কৰিব পৰা সম্ভৱ বুলি

নেভাবো। চিপাহী চন্তৰীয়ে বন্দুক বাৰুদ লৈ দিনে ৰাতিয়ে ৰখি থাকোতেও মালখানাৰ পৰা গড়ৰ খড়গ হাতী দাঁত নাইকীয়া হয়। ফৰেষ্ট বিভাগৰ মানুহে ব্যৱস্থা নিদিলে বোকাখাট গোলাঘাটৰ চিকাৰীয়ে কাজিৰঙাত সোমাই গাভিনী পহু মাৰিব নোৱাৰে। সেইকাৰণে মানুহে চিকাৰ কৰিব নোৱাৰা ব্যৱস্থা কৰিবলৈ হলে সামাজিক ভাৱে ব্যৱস্থা কৰিব লাগিব। যি মানুহে মাংস খাই তেওঁ বনৰীয়া জন্তু হওক ঘৰচীয়া জন্তু হওক খাবই। গতিকে এইটো বন্ধ কৰাৰ ক্ষেত্ৰত কিছু যে অসুবিধা নহব কোৱা টান। চৰকাৰে কেৱল আইনৰ আশ্ৰয় ললেই যথেষ্ঠ নহব লগতে সামাজিক ব্যৱস্থাও কিছু সালসলনি কৰিব লাগিব। শঙ্কৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনে ধৰ্মৰ জৰিয়তে চেষ্টা কৰিছিল আমিষ ভোজন আতৰাবলৈ। সেইদৰে আজিও সামজিক চেতনা জগাই তুলিব লাগিব আৰু চৰকাৰেও অধ্যয়ন কৰিব লাগিব কেনেকৈ কাৰ্য্যকৰী কৰিব পাৰি। মন্ত্ৰী সদস্য আদি সকলোৰেই প্ৰবৃতি ভোজ খাবলৈ ভাল পায়। ঘৰত শুদাই খালেও পৰত মাছে-মঙহে খাবলৈ লাগে। মন্ত্ৰীকে যদি ভালকৈ খুৱাই তেনেহলে কিজানি টিকটটোকে পাবলৈ টান হয়? সেইদৰে দৰাৰ লগত গলেও এসাজ ভালকৈ খাবলৈ পায়। কাৰণ কন্যা ঘৰত দৰাঘৰীয়াক মাছে মঙ্গহে ভালকৈ খুৱাই। নহলে পিচত ছোৱালী জনীয়ে দুখ পাব পাৰে সেই ভয়তে। সেই কাৰণে এই কথাটো আইনৰ দ্বাৰা কৰিব নোৱাৰি বুলি ভাবো। অন্য ফালৰ পৰাই এই কথাটো মানুহৰ মনত সুমাই দিয়া ভাল।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: মাননীয় উপাধ্যক্ষ মহোদয়, এই উইল্ড লাইফ প্ৰটেকচনৰ কাৰণে যিটো প্ৰস্তাৱ আনিছে এইটোৰ সম্পৰ্কত কব খুজিছো যে যদিও এইটো ৰাষ্ট্ৰীয় পৰ্য্যায়ত বনৰীয়া জন্তু বিলাক ৰক্ষাৰ ব্যৱস্থা লৈছে। ইয়াত কথা হৈছে যে আমাৰ হিউম্যান বিংয়ে ইতৰ প্ৰাণী বিলাকৰ ৰক্ষণা-বেক্ষণৰ কাৰণে চিন্তা কৰিব লাগে। নিঃসন্দেহে এইটো চাব লাগিব। শক্তিশালী মানুহে দুৰ্বল মানুহক ৰক্ষা কৰিব লাগে হিউম্যান ধৰ্ম মতে সেই হিচাবে ইতৰ প্ৰাণী বিলাক নিবিহ আৰু সিহঁতৰ বৃদ্ধিৰ কাৰণে মানুহ সমাজে চিন্তা কৰিব লাগে। আমাৰ বিবেকৰ ফালৰ পৰাও যদি চিন্তা কৰি চোৱা হয় এই ইতৰ প্ৰাণী বিলাকক ৰক্ষা কৰিব লাগে আৰু এইটোকে এতিয়া আইন কৰিবলৈ লৈছে। আমি এইটো কথা জানো যে বাঘে হৰিণ খায় বনত থকা সময়ত বাঘ আদি শক্তিশালী পশু বিলাকে হৰিণ আদি দুৰ্বল

পশুবিলাক খায় আমাৰ বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই হৰিণ মৰা নহয় বুলি জানে আৰু আমিও জানো যে হৰিণ মৰা নহয় কিন্তু এটা কথা আজি বহু বছৰ আগৰ কথা তেতিয়া ১৯৫৫ নে ৫৬ চন। যেতিয়া কচুগাওঁত হৰিণ পোৱা হয় কিন্তু মন্ত্ৰী মহোদয়ে বন বিভাগৰ বিষয়াক কলে যে হৰিণ তেওঁ জীৱনতে খোৱা নাই। তেতিয়া আৰু আইনৰ কথা নাথাকে। অফিচাৰ আগবাঢ়ি গৈ হৰিণ মৰাৰ কথাত লাগিল। মন্ত্ৰী অৱেশ্যে হুকুম দিব নালাগে। খাবৰ মন আছিল বুলি কলেই হয়। আৰু তেতিয়া অফিচাৰ আগবাঢ়ি যাব। উৰ্দ্ধতন কৰ্মচাৰী মন্ত্ৰী ডাঙৰীয়াই হৰিণ খাবৰ মন থকাৰ কথা কোৱাৰ পিচত আৰু আইনৰ কথা নাথাকে।

ডাঃ ভূমিধৰ বৰ্মণ ঃ মাননীয় সদস্য সেই সময়ত তাত আছিল নেকি?

(ভইচ হাইস্কুলত আছিল)

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ এইটো ঘটনা হৈছিল মন্ত্ৰী মহোদয়ে জীৱনত মন্ত্ৰী খাই পোৱা নাই বুলি।

(সদনত হাঁহিৰ ৰোল)

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ উপাধ্যক্ষ মহোদয়, যিহেতু মন্ত্ৰী খোৱাৰ কথা উঠিছে, বনৰীয়া জন্তু প্ৰটেকচনৰ এটা প্ৰভিজন ৰাখিব লাগে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : তেতিয়া আৰু মাৰি অনা হৰিণৰ মাংস আগত দেখি কোনেও নোখোৱাকৈ থাকিব নোৱাৰে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো এনেকৈ মন থকা বুলি জীৱনত হৰিণ খাই পোৱা নাই বুলি কৈ চাই তেতিয়াহলে অফিচাৰ জন আগবাঢ়ি আহে নে নাহে সেইটো প্ৰমাণ কৰিব পাৰিব। যিবিলাক ঠাইত হৰিণ পোৱা যায় সেই ঠাইত মন্ত্ৰী মহোদয় গৈ নিজে এনেভাৱে পৰীক্ষা কৰিলে ভাল হব। আচলতে হৰিণ আদি মৰাৰ ক্ষেত্ৰত আইনত কৈ দয়া-মায়া আদিয়ে বেছি প্ৰয়োজ্য হব। এই-বিলাকৰ ওপৰত চাব লাগিব। কিন্তু এতিয়া কথা হ'ল বনৰীয়া পশুবিলাকৰ পৰা মানৱ সমাজকে প্ৰটেকচন দিবলগীয়া হৈছে। যিহেতু বহু ঠাই এভিকচন কৰি মানুহ গৈ বনৰ মাজত সোমাই পৰিছে। সেইবিলাক ঠাইত দুৰ্বল, দুখীয়া মানুহ বিলাকতকৈ শক্তিশালী ভালুক, বাঘ, গণ্ডাৰ আদি পশুৱে মানুহৰ জীৱন নাশ কৰিছে। আনকি কমলপুৰ আদি ঠাইতো বাঘে মানুহ হত্যা কৰিছে।

সেই ভৈয়ামৰ ঠাইতে যেতিয়া বাঘে মানুহ হত্যা কৰিছে সেই ক্ষেত্ৰত বনৰীয়া জন্তুৰ পৰা মানৱ সমাজৰ প্ৰটেকচনৰ কাৰণেও নিশ্চয় চিন্তা কৰিবলাগীয়া হৈছে। গাৰে-ভূৰে এতিয়াও বাঘ, ওলায় আৰু মানুহ আদি মাৰি আছে। গতিকে শক্তিশালী জন্তু বিলাকক আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু বাঘে মানুহমৰা বুলি বা বাঘৰ হাতৰ পৰা মানুহক প্ৰটেকচন দিবলগা হোৱাত অৱস্থাৰ কথা শুনিলে পাশ্চাত্য দেশ বিলাকত হাঁহিব। সেইকাৰণে বনৰীয়া পশুবিলাকক মানৱ সমাজৰ পৰা আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে। আৰু তেনেকুৱাকৈ এখন বিল পাচ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এতিয়া কাজিৰঙাত বনৰীয়া জন্তু বিলাক ৰখাৰ ব্যৱস্থা আছে যদিও কেতিয়াবা কৈতিয়াবা ৰাস্তাৰ ওপৰত উঠি বা গাৱেঁ ভূএে গৈ মানুহৰ ওপৰত অত্যাচাৰ কৰা দেখা যায়। এইবিলাক কথা সকলোৱে জানে। এতিয়াও কছুগাওঁ আদি ঠাইত দলে দলে হাতী আহে আৰু কেচুৱা লৈ যায়, মানুহ মাৰে শস্য খায় গতিকে মানৱ সমাজকো বনৰীয়া জন্তু বিলাকৰ পৰা আচুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিব লগীয়া হৈছে। ৰিজাৰ্ভ কৰি এটা মাত্ৰ গেট অন্য এন্‌ট্ৰেন্স নাৰাখি বন্য জন্তু বিলাক ৰখাৰ ব্যৱস্থা লৰিব লাগে। কিন্তু যদি তেনেকুৱা ভাৱে ব্যৱস্থা লবলগীয়া হয় তেতিয়াহলে আমাৰ বাজেটৰ আধা টকা এই ব্যৱস্থাতেই খৰচ হৈ যাব। ডাঙৰ ডাঙৰ নলা খান্দি অথবা বাঘ আদিৰ কাৰণে ওখকৈ গড় আলি বান্ধি দিব লাগিব কিয়নো বাঘে সাতুৰি আহিব পাৰিব, হাতীৰ কাৰণেও ওখকৈ গড় বান্ধিব লাগিব। তেতিয়া-হলেহে প্ৰটেকচন কৃতকাৰ্য্য হব বুলি মোৰ বিশ্বাস। আৰু যাতে সেই ঠাইৰ লগত মানুহৰ কোনো যোগাযোগ নাথাকে সেইটোও চাব লাগিব। কেৱল আইন কৰি কেইজনমান অফিচাৰক নোটিচ দিলেই সব বন্য প্ৰাণী সংৰক্ষণ নহ'ব এই আইন মজবুৰি কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব।

মাননীয় উপাধ্যক্ষ : আপুনি চমু কৰক।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : সময় আছে চাৰ। উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ লগতে এইটো চাব লাগিব যাতে বনৰীয়া প্ৰাণীৰ পৰা মানৱ সমাজক প্ৰটেকচন দিব পৰা যায়। এতিয়া দেখা যায় সাপে মানুহ খায় কিন্তু সাপ ধৰে ততে পোৱা যায় আৰু সাপো wild লাইফৰ ভিতৰতে পৰে কিন্তু সাপে মানুহ খোৱাৰ পৰা ৰক্ষা কৰিবলৈ হলে বোম্বেৰ নিচিনা সাপৰ

গার্ডেন পাতি দিব লাগিব আৰু তাতে আনি সকলো বিলাক সাপ ৰাখিব লাগিব। আচলতে কোনো ক্ষেত্ৰত উৱাইল্ড লাইফতকৈ মানৱ সমাজ দুৰ্বল কেৱল অস্ত্ৰ আদি লৈহে বলীয়ান হোৱা যায়। গাৰ বলেৰে বলীয়ান হব নোৱাৰে। বন্দুক আদি থাকিলে যদি হাতী বা বাঘ আক্ৰমন কৰিবলৈ আহে তেতিয়াহলে আত্মৰক্ষাৰ কাৰণে হত্যা কৰিবলগীয়া হবও পাৰে তেনে ক্ষেত্ৰত আইনত বাধা নপৰিব কিয়নো আত্মৰক্ষা কৰাৰ ধৰ্ম্ম আছে। এই বিলাক কথা ব্যক্তিগত জীৱনত ঘটা বহুত ঘটনা বা উপঘটনাৰ পৰা পোৱা হৈছে গতিকে এই আইন যাতে কটকটীয়া হব পাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে। যাতে অন্যায় ভাৱে বন্য পশু হত্যা কৰিব নোৱাৰে তাৰ কাৰণে আইন হব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ ঘৰুৱা গৃহস্থীৰ ঘৰতো কিছুমান বন্য জন্তু আছে সেইবিলাকৰ ক্ষেত্ৰত কি হব। এতিয়া বনৰীয়া পখী বহুত আছে সেই সৰু সৰু নিৰীহ পখী বিলাককো প্ৰটেকচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। ঠায়ে ঠায়ে চিৰিয়াখানাৰ নিচিনাকৈ ডাঙৰ পুখুৰী ৰিজাৰ্ভত খান্দি দি তাত সেই পখী বিলাক থকাৰ ব্যৱস্থা কৰি দিব লাগে। পাহাৰৰ ওপৰত তেনেকুৱা বহুত ঠাই পোৱা যায়। গাৰ্ডেনৰ নিচিনাকৈ ভাত পখী বিলাকক আহিবলৈ প্ৰলুব্ধ কৰিব লাগিব আৰু সেই বিলাকৰ খাদ্য বস্তুৰো দিহা কৰিব লাগিব। তাতে এজন অফিচাৰ ৰাখিব লাগিব। তেওঁ নিশ্চয় নাখায় আৰু যদি খাইও এজন মানুহে কিমান খাব। সেই ঠাই ডোখৰ চাইট চিং কৰাৰ কাৰণে ভাল হব আৰু পখী বিলাকৰ লৰা লৰি, দৌৰা দৌৰি, কেচমেচনি শুনি নিশ্চয় ভাল লগা হব। তেনেকুৱা ভাৱে পাৰ্কিং কৰিলে ভাল হয় আৰু প্ৰটেকচনো পায়। কিন্তু বাঘে হৰিণ খায়, সাপে বেং খায় সেইটো প্ৰটেকচন কৰিব নোৱাৰি। এনেকুৱা নিৰীহ প্ৰাণী খায়েই শক্তিশালী জন্তু বিলাক বাচি আছে। গতিকে এই বাধা দিব নোৱাৰা কথা বিলাক এৰি আন বিলাক কথালৈ ভালকৈ চকু দি বনৰীয়া জন্তু প্ৰটেকচন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(থ্‌লৰ কাৰণে সদন বন্ধ থাকে)

গতিকে এই ধৰণে যদি আমি কিছুমান পাবলিক প্লেচ ৰাখি তাত পশুৰ কাৰণে আচুতীয়াকৈ সংৰক্ষণ কৰো তেতিয়াহলে ভাল হব আৰু সেই ধৰণে আইন অনুযায়ী যদি আইন মতে কাম কৰা হয় তেতিয়াহলে আমি

সেই পশুবিলাক চাবলৈ সুবিধা পাম আৰু ৰাইজৰ কাৰণেও সেই ঠাইবিলাক চাবলগীয়া হব। এই খিনিকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰি মই সামৰণি মাৰিলো।

Dr. Lutfur Rahman (Minister): Sir, I am thankful to Shri Bora and to Shri Roy Pradhani for giving some useful suggestions. Eating of meat has been going on since the inception of life. At the beginning it was just raw meat, then we learnt to take roasted meat and then boiled meat. Now, we have come to a position when we take cooked meet. And finally I have decided to stop using meat as food. This is civilisation. Eating progressed from eating raw meat, roasted meat, fried meat, then cooked meat and then now giving up taking meat. we have come to a position where no more eating of meat should be there. At least innocent animals should not be killed either for fun or for eating. I quite agree with Shri Bora that no law or Act can prevent killing of animals unless the people are made to participate in that process. Shri Pradhani has said that even if half the total budget is spent there will be no protection. Yes Sir, it is true, if people do not co-operate with the Government in this affair, nothing is possible. Shri Bora tried to say that probably there some thing inner for which this Act has been brought may be also for protection of forestsand jungles also. It is quite true Sir, that Assembly passed the "National Park Act" for preservation of animals in Kaziranga. That act provides that we shall not even cut a tree without valid reasons and without the permission of this Assembly. Why Sir? Because we should not change

the cology if we want to preserve the animal lives. So far as killing of deer for giving a feast to the Minister, I would say, it might have happened in the past, but to day things are different and it does not occur. Regarding the Chittal fish in Arimura if anybody happens to see them definitely he will be tempted to kill them. Some of the members who were with me at Arimura only yesterday expressed that some of the fish could be killed, but we did not kill them.

Sir, hundreds of deer are killed. Even the pragnant deer are killed. The otherday we were at Kolsi near Gauhati. One honourable member was telling that some years back Deer were seen, crossing the river, sitting at the I. B. On that day we were there at I. B., the whole day, and even a part of the night was spent there but we had not seen a single deer crossing the river nor heardcorn barking. I have come to know that they are almostextinct. in that place with protection given the Picture is different in Kaziranga. In one herd in Kaziranga we saw about 100 deer and similarly in another herd about 143 deer were seen. This has been pissible due to protection given in Kaziranga.

Regarding the protection of human lives as Shri Pradhani has stated, I would like to say a few words. Sir, it is aslo a fact that along with the protection of wild life, human lives also needs protection. And in doing so boundary for both should be properly demarcated. The demarcation may not be acurated, but even then some-thing is to be done in this respect. Afterall both man

and animal should live in this world. In Kaziranga itself we have got a protection Forced not for protection of animals, but for protection of human lives and protection of crops. Not only protection of animals we shall have to protect human lives also.

Sir, regarding killing of animals, I would say that killing with licence is allowed. Without valid licence killing is not allowed. Sir Tiger is a protected animal and we are somehow protecting it. The socalled man eater of Kamalpur had to be killed. Sir, I would say that except very few tigers of Sundarban, no tigers generally kill man. In Assam the tigers do not kill man unless the circumstances compell them to kill. But in any way we do not protect the man eaters. We have allowed the killing of Kamalpur man eater. Not only one tiger but two tigers were killed and along with them another two leopards and I do not know how many more because many might not be disclosed. But definitely for protection of human life we will allow killing of animals; for self defence everywhere man has a right to defend himself and in that process if a protected animal is killed we will neither repent it nor prevent it. Therefore, Sir, when this Act has been, with good intention, passed by Parliament I appeal to the House to adopt it.

Shri Giasuddin Ahmed : Mr. Deputy Speaker, Sir, I want a clarification. We understand that there is one State Act for protection of wild life. Now we are passing this resolution and so what will be the constitutional position, whether the Central Act or the State Act will prevail ?

Now this will be a delicate constitutional question.

Shri Syed Ahmed Ali, (Minister).: Should I explain, Sir, We are not going to pass a legislation on wild life protection. We are simply going to adopt an Act which has already been passed in the Parliament. Under the Constitution, Sir, Article 252 if it apperas to the Legislatures of two or more States to be desirable that any of the matters with respect to which Parliament has no power to make laws for the States except as provided in articles 249 and 250 should be regulated in such States by Parliament by law, and if resolutions to that effect are passed by all the Houses of the Legislatures of those States, it shall be lawful for Parliament to pass an Act for regulating that matter accordingly and any Act so passed shall apply to such States and to any other State by which it is adopted afterwards by resolution passed in that behalf by the House or, where there are two Houses, by each of the Houses of the Legislature of that State. Under this Article Sir, here in the Act probably they have already mentioned which are the State after adopting resolutions, have authorised the Parliament to pass an Act on wild life protection. In the first phase of the Bill it is mentioned 'And whereas in pursuance of clause (1) of aricle 252 of the Constitution resolution have been passed by all the Houses of the Legislatures of the States of Andhara Pradesh, Bihar, Gujrat, Haryana, Himachal Pradesh, Madhya Pradesh, Manipur, Panjab, Rajasthan, Uttar Pradesh, and West Bengal to the effect that the matters aforesaid should be regulated in those States by Parliament by law;'

accordingly, the Parliament has passed the Wild Life (Protection) Act and the States have adopted it. That is why this resolution has been moved.

Mr. Deputy Speaker : Now regarding the State Act he has raised a pertinent question. There will be two Acts until and unless the State Act is repealed.

Shri Syed Ahmed Ali (Minister) : There must be a repealing section in the Act.

Dr. Lutfur Rahman (Minister) : It will be repealed.

Mr. Deputy Speaker : Under which provision ?

Shri Syed Ahmed Ali (Minister) : Clause 66 'As from the commencement of this Act, every other Act relating to any matter contained in this Act, and in force in a State shall, to the extent to which that Act or any provision contained therein corresponds, or is repugnant to this Act, or any provision contained in this Act, stand repealed.' The whole legislation because of this Assembly resolution may not be repealed; only to the extent it is repugnant to the Act passed by Parliament.

Mr. Deputy Speaker : Now I put the resolution.

( After a pause )

(The resolution is passed) Now we come to item No. 7. (Item No. 7 was not taken up as the hon'ble members were absent) There is no more business today. The House stands adjourned till 10 A.M. tomorrow.

## ADJOURNMENT

The House then rose at 3.35 p.m. and stood adjourned till 10 A.M on Tuesday, the 24th February 1976

Dated Dispur.
23—2—76

P. D. Barua
Secretary
Assam Legislative Assembly